रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

**असाधारण**
**EXTRA ORDINARY**
**অসাধাৰণ**

**भाग VI - अनुभाग 1**
**PART VI - Section 1**
**ভাগ ৬ - অনুভাগ ১**

**प्राधिकार से प्रकाशित**
PUBLISHED BY AUTHORITY
**প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত**

**No. 1.] NEW DELHI, THURSDAY, SEPTEMBER 13, /22 BHADRA, 1934, (SAKA) [Vol : 7**
**নং ১ ] নতুন দিল্লী, বৃহস্পতিবাৰ, চেপ্তেম্বৰ ১৩, ২০১২/২২ ভাদ ১৯৩৪(শক) [খণ্ড ঃ ৭**

Separate paging is given to this part in order that it may be filed as a separate compilation.

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## ( বিধান বিভাগ )

নতুন দিল্লী, ৪ এপ্ৰিল , ২০১১ /১৪ চ'ত ১৯৩৩ (শক)

(১) দি এণ্টি এপাৰ্থেদ (ইউনাইটেড নেইশ্যনচ্ ক্যান্‌ভেন্‌শ্যন ) এক্ট , ১৯৮১ (১৯৮১ৰ ৪৮)
(২) দি এণ্টি হাইয্যাকিং এক্ট, ১৯৮২ (১৯৮২ৰ ৬৫)
(৩) দি টেকনল্যাযী ডি'ভে'ল্‌পমেণ্ট বোৰ্ড এক্ট, ১৯৯৫ (১৯৯৫ৰ ৪৪)
(৪) দি কেব্‌ল টেলিভিজ্যন্ নেটৱৰ্কচ্ (ৰেগুলেইশ্যন ) এক্ট, ১৯৯৬ (১৯৯৬ৰ ২৬)
(৫) দি আৰ্ব্বিট্ৰেশ্যন এণ্ড কনচিলিয়েশ্যন এক্ট, ১৯৯৬ (১৯৯৬ৰ ২৬)
(৬) দি টেলিক'ম ৰেগিউলেইট্যাৰী অ'থ'ৰিটি অৱ ইণ্ডিয়া এক্ট, ১৯৯৭ (১৯৯৭ৰ ২৪)
(৭) দি যীয়্যাগ্ৰাফিকেল ইন্‌ডিকেশ্চ্যন্‌চ অৱ গুডচ্ (ৰেজিচ্‌ট্ৰেইশ্যন এণ্ড প্ৰ্যাটেক্ শ্যন্ ) এক্ট, ১৯৯৯ (১৯৯৯ৰ ৪৮)

নিম্নলিখিত অসমীয়া অনুবাদ এতদ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি সমূহ) অধিনিয়ম, ১৯৭৩ ( ১৯৭৩ৰ ৫০ )ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হ'ব ।

# MINISTRY OF LAW AND JUSTICE

(Legislative Department)

New Delhi, Dated the 4th April 2011/14, chaitra 1933 (SAKA)
The Translations in Assamese of the following namely : -

1. The Anti-Apartheid (United Nations Convention) Act, 1981 (48 of 1981)
2. The Anti-Hijacking Act, 1982 (65 of 1982)
3. The Technology Development Board Act, 1995 (44 of 1995)
4. The Cable Television Networks (Regulation) Act, 1995 (7 of 1995)
5. The Arbitration and Conciliation Act, 1996 (26-of 1996)
6. The Telecom Regulatory Authority of India Act, 1997 (24 of 1997)
7. The Geographical Indications of Goods (Registration and protection) Act, 1999 (48 of 1999)

are hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts (Central laws Act, 1973 (50 of 1973).

# মালবস্তুবোৰৰ ভৌগোলিক উপদৰ্শন (পঞ্জীয়ন আৰু সুৰক্ষা) অধিনিয়ম, ১৯৯৯

**১৯৯৯ৰ সংখ্যা ৪৮**

[৩০ ডিচেম্বৰ, ১৯৯৯]

**মালবস্তুবোৰৰ সৈতে সম্বন্ধিত ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নৰ আৰু সুৰক্ষাৰ বাবে উপবন্ধিত কৰিবলৈ এখন অধিনিয়ম।**

ভাৰত গণ ৰাজ্যৰ পঞ্চাশতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নানুসাৰে ইয়াক সংশোধিত কৰা হ'ল ঃ-

## অধ্যায় - I
## প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।

১। (১) এই অধিনিয়মখনক মালবস্তুবোৰৰ ভৌগোলিক উপদৰ্শন (পঞ্জীয়ন আৰু সুৰক্ষা) অধিনিয়ম, ১৯৯৯ বুলি অভিহিত কৰা হয়।

(২) ই সমগ্ৰ ভাৰততে বিস্তাৰিত হব।

(৩) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা দৰে এনে তাৰিখৰ পৰা ই প্ৰভাৱিত হব আৰু এই অধিনিয়মৰ বেলেগ উপবন্ধৰ বাবে বেলেগ বেলেগ তাৰিখ নিয়ত কৰিব পাৰে আৰু এই অধিনিয়মৰ আৰম্ভনিত এনে কোনো উপবন্ধত কোনো উল্লেখ সেই উপবন্ধসমূহত প্ৰভাৱিত হোৱা উল্লেখ হিচাপে গণ্য কৰা হব ;

পৰিভাষা আৰু নিৰ্বচন।

২। (১) এই অধিনিয়মত প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে-

(ক) ''আপীলবোৰ্ড'' মানে ব্যৱসায় চিহ্ন অধিনিয়ম, ১৯৯৯ৰ ধাৰা ৮৩ৰ অধীনত স্থাপিত ''আপীল বোৰ্ড'';

(খ) ''প্ৰাধিকৃত ব্যৱহাৰকাৰী'' মানে ধাৰা ১৭ৰ অধীনত পঞ্জীকৃত ভৌগোলিক উপদৰ্শনৰ প্ৰাধিকৃত ব্যৱহাৰকাৰী ;

(গ) ''ঠগ মূলক সদৃশ'' এটা ভৌগোলিক উপদৰ্শন আন এটা ভৌগোলিক উপদৰ্শনৰ ঠগমূলক সদৃশ বুলি গণ্য কৰা হব যদি ই ইমানেই সমৰূপ হয় যে অন্য ভৌগোলিক উপদৰ্শনৰ ঠগ সমৰূপ বা খেলি মেলিৰ কাৰণ হয় ;

(ঘ) ''জিলা ন্যায়ালয়'' ৰ চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ ত ন্যস্ত কৰা দৰে অৰ্থ হয় ; ১৯০৮ ৰ ৫

(ঙ) মালবস্তুৰ সম্বন্ধত ''ভৌগোলিক উপদৰ্শন'' মানে এনে এটা উপদৰ্শন যিটো মালবস্তুবোৰক এখন দেশৰ ৰাজ্য ক্ষেত্ৰ বা সেই ৰাজ্যক্ষেত্ৰৰ স্থানীয় অঞ্চলত বা প্ৰদেশত উৎপন্ন হোৱা বা প্ৰস্তুত কৰা কৃষিজাত বস্তু বা প্ৰাকৃতিক বস্তু হিচাপে চিনাক্ত কৰে য'ত এনে বস্তুৰ গুণ, খ্যাতি বা আন লক্ষণ অপৰিহাৰ্য্য বাবে ভৌগোলিক উৎসৰ আৰোপনীয় আৰু য'ত এনে বস্তুৰ তৈয়াৰীকৰণৰ লগত সম্বন্ধিত হয়, তেনে অৱস্থাত সম্বন্ধিত বস্তুৰ উৎপাদন, সংশোধন প্ৰক্ৰিয়া বা তৈয়াৰীকৰণ, ক্ষেত্ৰ বিশেষে এনে ৰাজ্যক্ষেত্ৰ, প্ৰদেশ বা স্থানীয় অঞ্চলত স্থাপন কৰা হয়।

**স্পষ্টীকৰণ** - এই খণ্ডৰ উদ্দেশ্যে যিকোনো এটা নাম যিটো এখন দেশ, প্ৰদেশ বা সেই দেশখনৰ স্থানীয় অঞ্চলৰ নাম নহয়, ভৌগোলিক উপদৰ্শন বুলি বিবেচিত হব যদি ই এটা নিৰ্দিষ্ট ভৌগোলিক অঞ্চলৰ লগত সম্বন্ধিত হয় আৰু ব্যৱহাৰ কৰা হয় আৰু ক্ষেত্ৰবিশেষে উক্ত দেশ, প্ৰদেশ বা স্থানীয় অঞ্চলৰ পৰা উৎপন্ন হোৱা বিশেষ বস্তুবোৰৰ লগত সম্বন্ধিত হয় ;

(চ) ''মালবস্তু'' মানে যিকোনো কৃষিজাত, প্ৰাকৃতিক বা তৈয়াৰী কৰা বস্তু বা যিকোনো হস্ত শিল্পজাত বা ঔদ্যোগিক বস্তু আৰু ই খাদ্য সম্ভাৰকো অন্তৰ্ভুক্ত কৰে ;

(ছ) উপদৰ্শনসমূহে কোনো নাম, ভৌগোলিক বা সংখ্যামূলক বৰ্ণনা বা সেইবোৰৰ যিকোনো সংযোগ বা বস্তুবোৰৰ ভৌগোলিক উৎপন্নৰ সংবহন বা জ্ঞাপনকৰণক অন্তৰ্ভুক্ত কৰিব, যিটোত ইয়াক প্ৰয়োগ কৰা হয় ;

(জ) ''নামে'' নামৰ কোনো সংক্ষেপাকৰক অন্তৰ্ভুক্ত কৰে ;

(ঝ) ''পেকেজে'' কোনো বাকচ, আধাৰ, আবৰণ, জপাব পৰা বস্তু, ধাৰণ পাত্ৰ, পাত্ৰ, টেমা, বটল, পেপাৰ, লেবেল, বেণ্ড টিকট, ৰিল, ফ্ৰেম, কেপচুল, কেপ, লিড, ঠিলা, সোপা আদিক অন্তৰ্ভুক্ত কৰে ;

(ঞ) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(ট) মালবস্তুৰ সম্বন্ধত ''উৎপাদনকাৰী'' মানে কোনো ব্যক্তি, যিজনে-

(i) যদি এনে বস্তুবোৰ কৃষিজাত বস্তু হয়, এনে বস্তুবোৰৰ উৎপাদন কৰে আৰু এনে ব্যক্তিক অন্তৰ্ভুক্ত কৰে যিজনে এনে বস্তুবোৰৰ প্ৰক্ৰিয়া কৰে বা বান্ধে ;

(ii) যদি এনে বস্তুবোৰ প্ৰাকৃতিক বস্তু হয়, মালবস্তুবোৰ কামত খটায় ;

(iii) যদি এনে বস্তুবোৰ হস্ত শিল্প বা ঔদ্যোগিক বস্তু হয়, বস্তুবোৰ সাজে বা তৈয়াৰ কৰে ;

আৰু কোনো ব্যক্তিক অন্তৰ্ভুক্ত কৰে যিজনে বস্তুবোৰৰ এনে উৎপাদনৰ ব্যৱসায় কৰে বা জড়িত থাকে, শোষন কৰে বা যথাস্থিতি তৈয়াৰ বা প্ৰস্তুত কৰে ;

(ঠ) ''পঞ্জী'' মানে ধাৰা ৬ত উল্লিখিত ভৌগোলিক উপদৰ্শনৰ পঞ্জী ;

(ড) ''পঞ্জীভুক্ত'' (ইয়াৰ ব্যাকৰণিক ৰূপৰ সৈতে) মানে এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত ;

(ঢ) ভৌগোলিক উপদৰ্শন সম্বন্ধত ''পঞ্জীভুক্ত অধিকাৰী'' মানে কোনো ব্যক্তি বা উৎপাদনকাৰীৰ কোনো প্ৰতিষ্ঠান বা উৎপাদক যিটো ভৌগোলিক উপদৰ্শনৰ অধিকাৰী হিচাপে সম্প্ৰতি পঞ্জীত ভুক্ত হৈছে ;

(ণ) ''পঞ্জীয়ক'' মানে ধাৰা ৩ৰ অধীনত উল্লিখিত ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়ক ;

(ত) ''ন্যায়াধিকৰণ'' মানে পঞ্জীয়ক বা ক্ষেত্ৰবিশেষে ''আপীল বোৰ্ড'' যাৰ সমক্ষত সংশ্লিষ্ট কাৰ্য্যবাহ স্থগিত কৰা হয় ;

(২) এই অধিনিয়মত ব্যৱহৃত কিন্তু পৰিভাষিত নোহোৱা চিহ্ন অধিনিয়ম, ১৯৯৯ত পৰিভাষিত হোৱা শব্দ আৰু অভিব্যক্তিবোৰৰ সেই অধিনিয়মত যথাক্ৰমে সেইবোৰত ন্যস্ত কৰা অৰ্থ থাকিব ;

(৩) এই অধিনিয়মত প্ৰসঙ্গত অন্যথাই অপেক্ষিত নহলে-

(ক) ভৌগোলিক উপদৰ্শনৰ ব্যৱহাৰৰ কোনো উল্লেখ, ভৌগোলিক উপদৰ্শনবোৰৰ ছপা কৰা বা অন্য দৃশ্যমান ব্যৱহাৰৰ উল্লেখ হিচাপে অৰ্থ হব ;

(খ) মালবস্তুবোৰৰ সম্বন্ধত ভৌগোলিক উপদৰ্শনবোৰৰ ব্যৱহাৰৰ কোনো উল্লেখ, ভৌগোলিক উপদৰ্শনবোৰৰ ওপৰত ব্যৱহাৰ বা এনে মালবস্তুবোৰৰ কোনো প্ৰাকৃতিক বা অন্য কোনো সম্বন্ধত যিটোৱেই হওঁক ব্যৱহাৰৰ উল্লেখ হিচাপে অৰ্থ হব ;

(গ) পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনবোৰৰ কোনো উল্লেখ পঞ্জীত ভৌগোলিক উপদৰ্শন ভুক্ত থকা উল্লেখ হিচাপে অৰ্থ হব ;

(ঘ) পঞ্জীৰ কোনো উল্লেখ, ধাৰা ৩ৰ উপধাৰা (২) অনুসৰি কোনো পদাধিকাৰীলৈ, যেতিয়া পঞ্জীয়কৰ কৃত্যসমূহ নিৰ্বহণ কৰি থাকে, ভুক্ত হোৱা উল্লেখ হিচাপে অৰ্থ হব ;

(ঙ) ভৌগোলিক উপদৰ্শন পঞ্জীৰ কোনো উল্লেখ ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীৰ কোনো কাৰ্য্যালয়ত ভুক্ত হোৱা উল্লেখ হিচাপে অৰ্থ হব।

## অধ্যায় II

## পঞ্জী আৰু পঞ্জীয়নৰ বাবে চৰ্ত্তসমূহ

ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়ক।

৩। (১) বাণিজ্য চিহ্ন অধিনিয়ম, ১৯৯৯ ৰ ধাৰা ৩ৰ উপধাৰা (১)ৰ অধীনত নিয়োজিত বিজ্ঞপ্তি, নমুনা আৰু ব্যৱসায়ৰ চিহ্নসমূহৰ মহা নিয়ন্ত্ৰকজন ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়ক হব।

(২) কেন্দ্ৰীয় চৰকাৰে উচিত ভবা মতে পঞ্জীয়কৰ নিৰ্দ্দেশ আৰু তত্বাৱধানৰ অধীনত কাৰ্য্যনিৰ্ব্বাহ কৰাৰ উদ্দেশ্যে এনে পদবীৰ এনে পদাধিকাৰী সকলক নিয়োগ কৰিব পাৰে, এই অধিনিয়মৰ অধীনত পঞ্জীয়কৰ এনে কৃত্যসমূহ যিদৰে তেওঁ সময়ে সময়ে তেওঁলোকক নিৰ্বহন কৰিবলৈ প্ৰাধিকৃত কৰিব পাৰে।

পঞ্জীয়কৰ গোচৰ আদি প্ৰত্যাহাৰ বা অন্তৰণৰ ক্ষমতা।

৪। ধাৰা ৩ৰ উপধাৰা (২)ৰ উপবন্ধসমূহৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ পঞ্জীয়কে উক্ত উপধাৰা (২) ৰ অধীনত নিযুক্ত পদাধিকাৰীৰ আগত স্থগিত কোনো বিষয়, লিখিত আদেশৰ দ্বাৰা আৰু কাৰণসমূহ তাত লিপিবদ্ধ কৰাৰ বাবে প্ৰত্যাহাৰ কৰিব পাৰে আৰু এনে বিষয়সমূহ তেওঁ নিজেই নতুনকৈ বা এনেদৰে প্ৰত্যাহাৰৰ অৱস্থাৰ পৰাই পৰিচালনা কৰিব বা তেনেভাৱে নিযুক্ত অন্য এজন পদাধিকাৰীলৈ ইয়াক অন্তৰণ কৰিব পাৰে যিজনে অন্তৰণ আদেশৰ বিশেষ নিৰ্দেশাৱলীৰ সাপেক্ষে বিষয়টো নতুনকৈ বা ইয়াক অন্তৰণ কৰা অৱস্থাৰ পৰাই পৰিচালনা কৰিব পাৰে।

ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়ন আৰু তাৰ কাৰ্য্যালয়।

৫। (১) এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ইয়াত এখন পঞ্জী স্থাপন কৰা হব, যিখনক ভৌগোলিক উপদৰ্শন সমূহৰ পঞ্জী বুলি জনা হব।

(২) ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নৰ মুখ্য কাৰ্য্যালয় এনে ঠাইত হব, যিদৰে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰে আৰু ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নৰ সা-সুবিধাৰ উদ্দেশ্যে আৰু কেন্দ্ৰীয় চৰকাৰে উচিত বুলি ভবা মতে ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নৰ শাখা কাৰ্য্যালয়সমূহ এনে স্থানসমূহত স্থাপন কৰা হব।

(৩) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা ৰাজ্য-ক্ষেত্ৰৰ পৰিসীমা পৰিভাষিত কৰিব যিটোৰ ভিতৰত ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীৰ এজন পদাধিকাৰীয়ে তেওঁৰ কৃত্যসমূহ নিৰ্বহন কৰে।

(৪) ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীৰ এটা মোহৰ থাকিব।

ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জী।

৬। (১) এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীৰ এটা অভিলেখ্য ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীৰ মুখ্য কাৰ্য্যালয়ত ৰখা হব, য'ত গৰাকীসকলৰ নাম, ঠিকনা আৰু বৰ্ণনা প্ৰাধিকৃত ব্যৱহাৰকাৰীসকলৰ নাম, ঠিকনা আৰু বৰ্ণনা আৰু বিহিত কৰা দৰে পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনসমূহৰ সম্বন্ধিত অন্য সকলো বিষয়সহ সকলো পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনসমূহ ভুক্ত থাকিব আৰু এনে পঞ্জীয়ন সমূহ সম্পূৰ্ণ বা আংশিক ভাৱে কম্পিউটাৰত উল্লেখ থাকিব।

(২) উপধাৰা (১) ত কোনো কথা থকা স্বত্বেও, বিহিত কৰা দৰে এনে সুৰক্ষাৰ সাপেক্ষে কম্পিউটাৰ ফ্লপিত বা ডিচকেটচত অন্য যিকোনো ইলেকট্ৰনিক প্ৰপত্ৰত সম্পূৰ্ণ বা আংশিক ভাৱে অভিলেখসমূহ সংৰক্ষণ কৰিবলৈ পঞ্জীয়কৰ বাবে বিধিসঙ্গত হব।

(৩) য'ত উপধাৰা (২)ৰ অধীনত কম্পিউটাৰ ফ্লপিত বা ডিচকেটচত বা অন্য ইলেকট্ৰনিক প্ৰপত্ৰত সম্পূৰ্ণ বা আংশিক ভাৱে এনে পঞ্জীয়ন সংৰক্ষণ কৰা হয়, পঞ্জীয়নৰ কোনো প্ৰবিষ্টি লৈ এই অধিনিয়মৰ কোনো নিৰ্দ্দেশ ক্ষেত্ৰবিশেষে কম্পিউটাৰ ফ্লপিত বা ডিচকেটচত বা অন্য ইলেকট্ৰনিক প্ৰপত্ৰত সংৰক্ষণ কৰা প্ৰবিষ্টিৰ নিৰ্দ্দেশ হিচাপে গণ্য কৰা হব।

(৪) কোনো ন্যাসৰ প্ৰত্যক্ষ বা পৰোক্ষ বা গঠনমূলক কোনো জাননী পঞ্জীত ভুক্ত নহব আৰু এনে কোনো জাননী পঞ্জীয়কৰ দ্বাৰা প্ৰাপ্তি সাধ্য নহব।

(৫) কেন্দ্ৰীয় চৰকাৰৰ অধীক্ষনাধীন আৰু নিৰ্দ্দেশৰ সাপেক্ষে পঞ্জীখন পঞ্জীয়কৰ নিয়ন্ত্ৰণ আৰু সংৰক্ষণৰ অধীনত ৰখা হব।

(৬) পঞ্জীকৃত ভৌগোলিক উপদৰ্শনসমূহৰ প্ৰতিটো শাখা কাৰ্য্যালয়তেই, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিৰ্দ্দেশ দিয়া ধৰণে পঞ্জীৰ এটা প্ৰতিলিপি আৰু ধাৰা ৭৮ৰ অধীনত উল্লিখিত অন্য দস্তাৱেজসমূহ ৰখা হব।

পঞ্জীৰ খন্ড ক আৰু খন্ড খ।

৭। (১) ধাৰা ৬ত নিৰ্দ্দেশিত পঞ্জীখনক ক্ৰমে খন্ড ক আৰু খন্ড খ বুলি কোনো দুটা ভাগত ভাগ কৰা হব।

(২) ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়ন সম্বন্ধিত বিষয়বস্তুসমূহ অন্তৰ্ভুক্ত কৰা হব আৰু বিহিত ৰীতিত পঞ্জীৰ খন্ড কৰ খন্ডটো গঠন কৰা হব।

(৩) প্ৰাধিকৃত ব্যৱহাৰকাৰীসকলৰ পঞ্জীয়নকৰণৰ লগত সম্বন্ধীয় বিষয়বস্তুসমূহ অন্তৰ্ভুক্ত কৰা হব আৰু বিহিত কৰা ধৰণেৰে পঞ্জীৰ খন্ড খৰ খন্ডটো গঠন কৰা হব।

বিশেষ মালবস্তু আৰু অঞ্চলসমূহৰ সম্বন্ধত পঞ্জীয়নকৰণ।

৮। (১) পঞ্জীয়কৰ দ্বাৰা শ্ৰেণী বিভক্ত কৰা এনে শ্ৰেণীৰ মালবস্তুবোৰক লৈ গঠিত হোৱা যিকোনো বা সকলো মালবস্তু আৰু ক্ষেত্ৰবিশেষে এখন দেশ বা এখন প্ৰদেশ বা উক্ত ৰাজ্যক্ষেত্ৰৰ স্থানীয় অঞ্চলৰ এটা নিৰ্দ্ধাৰণ কৰা ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত ভৌগোলিক উপদৰ্শন পঞ্জীভুক্ত কৰিব পাৰে।

(২) পঞ্জীয়কে উপধাৰা (১)ৰ অধীনত, মালবস্তুবোৰক, যিমান দূৰ সম্ভৱ ভৌগোলিক উপদৰ্শনসমূহ পঞ্জীভুক্তকৰণৰ উদ্দেশ্যে মালবস্তুবোৰ আন্তঃৰাষ্ট্ৰীয় শ্ৰেণী বিভক্তকৰণ অনুসৰি, শ্ৰেণী বিভক্ত কৰিব পাৰে।

(৩) পঞ্জীয়কে উপধাৰা (২)ৰ উল্লিখিত মালবস্তুবোৰৰ শ্ৰেণী বিভাগ বিহিত কৰা ধৰণেৰে বৰ্ণমালা অনুক্ৰমত প্ৰকাশ কৰিব পাৰে।

(৪) শ্ৰেণী যিটোৰ ভিতৰত কোনো মালবস্তু পৰে, সেই বিষয়ে কোনো প্ৰশ্ন উদ্ভৱ হ'লে বা উপধাৰা (১) ত উল্লিখিত নিৰ্দিষ্ট অঞ্চল য'ত কোনো মালবস্তু উপধাৰা (৩)ৰ অধীনত প্ৰকাশিত মালবস্তুৰ বৰ্ণমালা অনুক্ৰমত বিনিৰ্দিষ্ট কৰা নহয়, পঞ্জীয়কৰ দ্বাৰা স্থিৰ কৰা হব, যিজনৰ সিদ্ধান্তই সেই বিষয়ত চুড়ান্ত হব ;

কিছুমান ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়ন নিষিদ্ধ কৰণ।

৯। ভৌগোলিক উপদৰ্শন -

(ক) যিটোৰ ব্যৱহাৰ প্ৰৱঞ্চকৰ নিচিনা বা সন্দেহৰ কাৰণ হোৱাৰ সম্ভাৱনা থাকে ; বা

(খ) যিটোৰ ব্যৱহাৰ সম্প্ৰতি বলবৎ থকা কোনো বিধিৰ বিৰুদ্ধে হয় ; বা

(গ) যিটোৱে অপবাদজনক বা অশ্লীল বিষয়সমূহক লৈ গঠিত হয় বা ভুক্ত কৰে ; বা

(ঘ) ভাৰতীয় নাগৰিকৰ কোনো শ্ৰেণী বা বৰ্গৰ ধৰ্ম্মীয় প্ৰৱনতাত আঘাত কৰা নিচিনা কোনো বিষয় ভুক্ত কৰে বা গঠিত হয় ; বা

(ঙ) যিটোৱে অন্যথা ন্যায়ালয়ত বাধা দিবলৈ অধিকাৰী নহয়; বা

(চ) যিবোৰ মালবস্তুৰ জাতি বিষয়ক নাম বা উপদৰ্শন বুলি নিৰ্দ্ধাৰিত হয় আৰু সেই মূলৰ তেওঁলোকৰ দেশত সুৰক্ষিত নোহোৱা বা সুৰক্ষিত হ'বলৈ বাৰণ কৰা বা যিবোৰ সেই দেশত অব্যৱহাৰত থাকে ;

(ছ) যিবোৰ যদিও ৰাজ্যক্ষেত্ৰ, আঞ্চলিক বা স্থানীয় অঞ্চলৰ বিষয়ে য'ত মালবস্তুবোৰ সৃষ্টি হয়, প্ৰকৃততে সত্য, কিন্তু ব্যক্তিসকলক মালবস্তুবোৰ ক্ষেত্ৰবিশেষে অন্য ৰাজ্যক্ষেত্ৰ, আঞ্চলিক বা স্থানীয় অঞ্চলত সৃষ্টি হোৱা বুলি মিছাকৈয়ে প্ৰতিনিধিত্ব কৰে ;

ভৌগোলিক উপদৰ্শন হিচাপে পঞ্জীভুক্ত কৰা নহব ।

**স্পষ্টীকৰণ ১** - এই ধাৰাৰ প্ৰয়োজনাৰ্থে মালবস্তুবোৰৰ সম্বন্ধত ''জাতি বিষয়ক নাম বা উপদৰ্শন'' মানে মালবস্তুবোৰৰ নাম যিবোৰ যদিও ঠাই বা অঞ্চলৰ লগত সম্বন্ধিত য'ত মালবস্তুবোৰ সাধাৰণতে উৎপন্ন হয় বা তৈয়াৰ হয়, য'ত ইয়াৰ মূল অৰ্থ হেৰুৱায় আৰু এনে মালবস্তুবোৰৰ সাধাৰণ নাম লয় আৰু মালবস্তুবোৰৰ বাবে এটা নামৰূপে ইয়াৰ প্ৰকাৰ, প্ৰকৃতি, ধৰণ বা অন্য সম্পত্তি লক্ষন ৰূপে ব্যৱহৃত হয় ।

**স্পষ্টীকৰণ ২** - নামটো জাতি বিষয়ক হয় নে নহয় সেইটো স্থিৰ কৰি, অঞ্চল বা ঠাই য'ত নামটো উদ্ভৱ হয় আৰু মালবস্তুবোৰৰ উপভোগৰ অঞ্চলৰ বৰ্তমান পৰিস্থিতিকো অন্তৰ্ভুক্ত কৰি, সকলো উপাদানৰ হিচাপ লব ।

একে নামৰ ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নকৰণ ।

১০। ধাৰা ৭ৰ উপবন্ধসমূহৰ সাপেক্ষে এই অধিনিয়মৰ অধীনত একে নামৰ ভৌগোলিক উপদৰ্শন কাৰ্য্যতঃ চৰ্ত্তসমূহ বিবেচনা কৰাৰ পাচত পঞ্জীভুক্ত কৰিব পাৰে, যাৰ অধীনত প্ৰশ্ন কৰা একে নামৰ উপদৰ্শন অন্য এক নামৰ উপদৰ্শনৰ পৰা পৃথক কৰা হব আৰু সম্বন্ধীয় মালবস্তুবোৰৰ উৎপাদনকাৰীসকলৰ বাবে উচিত ব্যৱস্থা নিশ্চিত কৰিবলৈ আৱশ্যক হোৱাৰ প্ৰতি যদি পঞ্জীয়কজন সন্তুষ্ট হয় যে এনে পঞ্জীয়নকৰণৰ ফলত এনে মালবস্তুবোৰৰ উপভোগকাৰী সকলক বেমেজালিত নেপেলাব বা ভুলবাটে নিনিব ।

## অধ্যায় - III
## পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰু সময়

পঞ্জীয়নৰ বাবে আবেদন ।

১১। (১) সম্প্ৰতি বলবৎ থকা কোনো বিধিৰ অধীনত বা দ্বাৰা স্থাপন কৰা কোনো ব্যক্তিৰ সংঘ বা উৎপাদনকাৰী বা কোনো সংগঠন বা প্ৰাধিকৰণ সম্বন্ধিত মালবস্তুবোৰৰ উৎপাদনকাৰীৰ হিতৰ বাবে প্ৰতিনিধিত্ব কৰি, যি সকলে এনে মালবস্তুবোৰৰ সম্পৰ্কত ভৌগোলিক উপদৰ্শনসমূহ পঞ্জীভুক্ত কৰিবলৈ ইচ্ছা কৰে, তেওঁ ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নকৰণৰ বাবে এনে প্ৰপত্ৰ আৰু ৰীতিত আৰু বিহিত কৰা দৰে এনে মাচুলসহ পঞ্জীয়কলৈ লিখিত ভাৱে আবেদন কৰিব পাৰে ।

(২) উপধাৰা (১)ৰ অধীনৰ আবেদনখনত নিম্নলিখিতসমূহ থাকিব-

(ক) ক্ষেত্ৰবিশেষে দেশৰ সংশ্লিষ্ট ৰাজ্যক্ষেত্ৰৰ পৰা বা প্ৰদেশৰ পৰা বা দেশৰ স্থানীয় অঞ্চলৰ পৰা উৎপন্ন হোৱা মালবস্তুবোৰৰ নামাকৰণ কৰিবলৈ ভৌগোলিক উপদৰ্শনসমূহে কেনেকৈ সেৱা আগবঢ়াই বিনিৰ্দ্দিষ্টত আনৰ খ্যাতিসমূহৰ বা অন্য স্বাভাৱিক গুণসমূহৰ সম্পৰ্কত, যিবোৰ সম্পূৰ্ণভাৱে বা আৱশ্যকীয় ভাৱে ভৌগোলিক পাৰ্শ্বৱৰ্তী স্থান, ইয়াৰ অন্তৰ্নিহিত প্ৰাকৃতিক আৰু মানবীয় উপাদানসমূহ আৰু উৎপাদন, ব্যৱহাৰৰ উপযোগী বা যিবোৰৰ প্ৰস্তুতিকৰণ ক্ষেত্ৰবিশেষে এনে ৰাজ্যক্ষেত্ৰ, প্ৰদেশ বা স্থানীয় অঞ্চলৰ এটা বিবৃতি অন্তৰ্ভুক্ত কৰিব ;

(খ) মালবস্তুবোৰৰ শ্ৰেণী বিভাগ, যিবোৰৰ ওপৰত ভৌগোলিক উপদৰ্শনসমূহ প্ৰয়োগ কৰা হয়;

(গ) দেশৰ ৰাজ্যক্ষেত্ৰসমূহৰ বা প্ৰদেশ বা দেশৰ স্থানীয় অঞ্চলসমূহ য'ত মালবস্তুবোৰ উৎপন্ন হয়

বা প্ৰস্তুত কৰা হয় সেইবোৰৰ এখন ভৌগোলিক মানচিত্ৰ ;

(ঘ) ভৌগোলিক উপদৰ্শনসমূহৰ আকাৰ সম্পৰ্কে সবিশেষসমূহ, ই শব্দ বা সাংকেতিক উপাদান বা উভয়েৰে ভুক্ত কৰা হওঁক বা নহওঁক ;

(ঙ) সংশ্লিষ্ট মালবস্তুবোৰৰ উৎপাদকসকলৰ এনে সবিশেষ থকা বিবৃতি, যদি কিবা থাকে, বিহিত কৰা দৰে ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নসহ পঞ্জীভুক্ত কৰিবলৈ প্ৰস্তাৱিত এটা বিবৃতি ; আৰু

(চ) বিহিত কৰা দৰে এনে অন্য সবিশেষসমূহ ;

(৩) ভৌগোলিক উপদৰ্শনৰ বেলেগ শ্ৰেণীৰ মালবস্তুবোৰৰ পঞ্জীয়নকৰণৰ কাৰণে এখন মাত্ৰ আবেদন কৰিব পাৰিব আৰু প্ৰত্যেক শ্ৰেণীৰ মালবস্তুবোৰৰ বাবে মাচুল আদায় দিব লাগিব।

(৪) উপধাৰা (১)ৰ অধীনৰ প্ৰত্যেকখন আবেদন পত্ৰ পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনসমূহৰ কাৰ্য্যালয়ত দাখিল কৰিব লাগিব, যাৰ স্থানীয় প্ৰাধিকাৰিতাৰ ভিতৰত দেশৰ ৰাজ্যক্ষেত্ৰ বা প্ৰদেশ দেশৰ স্থানীয় অঞ্চল য'ত ভৌগোলিক উপদৰ্শনসমূহ অৱস্থিত ঃ

পৰন্তু য'ত এনে ৰাজ্যক্ষেত্ৰ, প্ৰদেশ বা স্থানীয় অঞ্চল যিয়েই হওঁক ভাৰতত অৱস্থিত নহয়, পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনসমূহৰ কাৰ্য্যালয়ত, যাৰ স্থানীয় পৰিসীমাৰ ভিতৰত, আবেদনত প্ৰকাশ কৰা দৰে ভাৰতত দাখিল কৰিবৰ বাবে ঠিকনাত উল্লিখিত স্থানসমূহ অৱস্থিত হয়, দাখিল কৰিব লাগিব ।

(৫) উপধাৰা (১)ৰ অধীনৰ প্ৰতিখন আবেদন পত্ৰ বিহিত কৰা ধৰণেৰে পঞ্জীয়কৰ দ্বাৰা পৰীক্ষা কৰা হব।

(৬) এই অধিনিয়মৰ উপবন্ধ অনুসৰি পঞ্জীয়কে আবেদনখন অস্বীকাৰ কৰিব পাৰে বা এনে সংশোধন সাল-সলনিকৰণ বা চৰ্ত্তসমূহৰ সাপেক্ষে বা তেওঁ উচিত বুলি ভবা মতে এনে পৰিসীমা যদি কিবা থাকে, তেন্তে ইয়াক সম্পূৰ্ণ ৰূপে গ্ৰহণ কৰিব পাৰে।

(৭) গ্ৰহণ নকৰা বা চৰ্ত্ত সাপেক্ষে আবেদনখন গ্ৰহণ কৰাৰ ক্ষেত্ৰত পঞ্জীয়কে এনে অস্বীকাৰৰ কাৰণ বা চৰ্ত্তসাপেক্ষে গ্ৰহণ কৰাৰ কাৰণসমূহ বা তেওঁৰ সিদ্ধান্তত উপনীত হবলৈ ব্যৱহাৰ কৰা তথ্যসমূহ লিখিত ভাৱে গ্ৰহণ কৰিব ।

গ্ৰহণৰ প্ৰত্যাহাৰ। ১২। য'ত-ভৌগোলিক উপদৰ্শনসমূহ পঞ্জীয়নকৰণৰ বাবে আবেদনপত্ৰ গ্ৰহণ কৰাৰ পাচত কিন্তু ইয়াৰ পঞ্জীয়নকৰণৰ আগতেই পঞ্জীয়ক সন্তুষ্ট হয় যে-

(ক) আবেদন পত্ৰখন ভুলক্ৰমে গ্ৰহণ কৰা হৈছে ; বা

(খ) গোচৰৰ পৰিস্থিতিৰ সাপেক্ষে ভৌগোলিক উপদৰ্শনসমূহ পঞ্জীভুক্ত কৰা উচিত নহব বা চৰ্ত্ত সমূহ বা পৰিসীমাসমূহৰ সাপেক্ষে বা অতিৰিক্ত চৰ্ত্তসমূহ বা চৰ্ত্তসমূহ বা পৰিসীমাসমূহৰ পৰা পৃথক হোৱা যিটোৰ সাপেক্ষে আবেদনখন গ্ৰহণ কৰা হয়, পঞ্জীভুক্ত কৰা উচিত হব,

পঞ্জীয়কজনে আবেদনখন শুনানীৰ পাচত যদি তেওঁ ইচ্ছা কৰে আবেদনখনৰ গ্ৰহণ প্ৰত্যাহাৰ কৰিব পাৰে আৰু অগ্ৰসৰ হব যেনিবা তেওঁ আবেদনখন গ্ৰহণ কৰাই নাছিল ।

আবেদন পত্ৰৰ বিজ্ঞাপন। ১৩। (১) যেতিয়া ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নৰ বাবে এখন আবেদনপত্ৰ গ্ৰহণ কৰা হয়, লাগিলে সম্পূৰ্ণ ভাৱেই হওঁক বা চৰ্ত্ত বা পৰিসীমাৰ সাপেক্ষেই হওঁক, পঞ্জীয়কে ইয়াকে গ্ৰহণ কৰাৰ পাচত, যিমান সোনকালে পাৰি চৰ্ত্ত বা পৰিসীমা যদি কিবা থাকে, যিটোৰ সাপেক্ষে আবেদনখন গ্ৰহণ কৰা হৈছে, বিহিত কৰা দৰে এনে ৰীতিত বিজ্ঞাপিত কৰিব ।

(২) য'ত এখন আবেদন পত্ৰ বিজ্ঞাপিত হোৱাৰ পাচত-

(ক) আবেদন পত্ৰত কিবা ভুল থাকিলে শুদ্ধ কৰা হয় ; বা

(খ) আবেদনখনক ধাৰা ১৫ৰ অধীনত সংশোধন কৰিবলৈ অনুমতি দিয়া হয় ;

পঞ্জীয়কজনে তেওঁৰ বিবেচনা অনুসৰি আবেদনখন আকৌ খবৰ কাগজৰ বিজ্ঞাপনত দিব পাৰে বা আবেদনখন আকৌ বিজ্ঞাপনসহ দিয়াৰ পৰিৱৰ্তে আবেদনখন শুদ্ধ কৰিবলৈ বিহিত ৰীতিত জাননী দিব ।

পঞ্জীয়নৰ বিৰোধিতা ।

১৪ । (১) কোনো ব্যক্তিয়েই পঞ্জীয়নকৰণৰ বাবে এখন আবেদন পত্ৰ বিজ্ঞাপন বা পুনৰ বিজ্ঞাপনত দিয়া তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত বা সৰ্ব্বমুঠ এক মাহৰ অধিক নোহোৱা এনে অতিৰিক্ত সময়ৰ ভিতৰত যিদৰে পঞ্জীয়কে এনে ৰীতিত তেওঁলৈ কৰা এখন আবেদন আৰু বিহিত কৰা দৰে মাচুল দিয়াত অনুমতি দিয়ে, পঞ্জীয়ন বিৰোধৰ পঞ্জীয়কলৈ বিহিত ৰীতিত এখন লিখিত জাননী জাৰী কৰিব পাৰে ।

(২) পঞ্জীয়কে পঞ্জীয়নকৰণৰ বাবে কৰা আবেদনৰ জাননীৰ এটা প্ৰতিলিপি জাৰী কৰিব আৰু আবেদনকাৰীজনৰ দ্বাৰা বিৰোধিতাকৰণৰ জাননীৰ এনে প্ৰতিলিপি প্ৰাপ্তিৰ পৰা দুই মাহৰ ভিতৰত আবেদনকাৰীজনে বিহিত কৰা ধৰণেৰে কাৰণসমূহৰ এটা বিপৰীত বিবৃতি দিব, যিটোৰ ওপৰত তেওঁৰ আবেদনকৰণৰ পৰা মুক্ত হব আৰু যদি তেওঁ এনে নকৰে তেনেহলে তেওঁৰ আবেদনখন পৰিত্যক্ত বুলি গণ্য কৰা হব ।

(৩) যদি আবেদনকাৰীয়ে এনে বিপৰীত বিবৃতি দিয়ে, পঞ্জীয়কে ইয়াৰ এটা প্ৰতিলিপি বিৰোধিতা কৰণৰ জাননী দিয়া ব্যক্তিজনলৈ প্ৰেৰণ কৰিব ।

(৪) কোনো সাক্ষ্যৰ যিটোৰ ওপৰত বিৰোধীপক্ষ আৰু আবেদনকাৰীয়ে নিৰ্ভৰ কৰিব পাৰে যে বিহিত কৰা দৰে এনে ৰীতি আৰু এনে সময়ৰ ভিতৰত পঞ্জীয়কৰ ওচৰত দাখিল কৰিব লাগিব আৰু পঞ্জীয়কে, যদি তেওঁলোকে ইচ্ছা কৰে, শুনানীৰ বাবে তেওঁলোকক এটা সুযোগ দিব ।

(৫) পঞ্জীয়কে পক্ষদ্বয়ৰ শুনানীৰ পাচত যদি এনেদৰে অপেক্ষিত কৰা হয় আৰু সাক্ষ্য বিবেচনা কৰি চোৱাৰ পাচত, পঞ্জীয়ন অনুজ্ঞাপ্ৰাপ্ত হওঁক বা নহওঁক আৰু চৰ্ত্তাৱলী আৰু পৰিসীমাৰ সাপেক্ষে যদি কিবা থাকে, তাৰ বিনিশ্চয় কৰিব আৰু বিৰোধীপক্ষৰ দ্বাৰা নিৰ্ভৰ যোগ্য হওঁকেই বা নহওঁকেই আপত্তিৰ এটা কাৰণ বুলি ধৰি লব ।

(৬) য'ত এজন ব্যক্তিক বিৰোধকৰ জাননী দিয়া হয় বা আবেদনকাৰীয়ে বিপৰীত বিবৃতি প্ৰেৰণ কৰে, এনে জাননীৰ এটা নকল প্ৰাপ্তি কৰাৰ পাচত ভাৰতত বসবাস নকৰে বা ভাৰতত কোনো ব্যৱসায় নকৰে, পঞ্জীয়কে তেওঁৰ আগত দাখিল কৰা কাৰ্য্যবাহৰ খৰচৰ বাবদ প্ৰতিভূতি দিয়াৰ আৱশ্যক হব পাৰে আৰু এনে প্ৰতিভূতি সম্যক ভাৱে দিবলৈ ব্যতিক্ৰম হলে বিৰোধীপক্ষ বা আবেদনকাৰী যিয়েই নহওঁক গোচৰ পৰিত্যক্ত হোৱা বুলি ধৰা হ'ব ।

(৭) পঞ্জীয়কৰ অনুৰোধ মৰ্মে, কোনো ভুল শুদ্ধ কৰিবলৈ বা কোনো সংশোধন কৰিবলৈ বা বিৰোধকৰণ বা বিপৰীত বিবৃতিৰ এখন জাননী তেওঁ উচিত বুলি ভবা মতে এনে সময়ত দিবলৈ অনুমতি দিব পাৰে ।

শুদ্ধকৰণ আৰু সংশোধন ।

১৫ । পঞ্জীয়কে তেওঁ উচিত বুলি ভবা মতে এনে নিবন্ধনৰ ওপৰত যি কোনো সময়তেই ধাৰা ১১ৰ অধীনত পঞ্জীয়নকৰণৰ বাবে গ্ৰহন কৰা এখন আবেদন পত্ৰ, গ্ৰহন কৰাৰ আগতেই হওঁক বা পাচতেই হওঁক আবেদনখনৰ সম্পৰ্কত কোনো ভুল শুদ্ধ কৰিবলৈ বা আবেদনখন সংশোধন কৰিবলৈ অনুমতি দিব পাৰে ঃ

পৰন্তু ধাৰা ১১ ৰ উপধাৰা (৩) ৰ অধীনত উল্লিখিত এখন আবেদন পত্ৰ দুই বা অধিক এনে

আবেদন পত্ৰলৈ ভাগ কৰাৰ লগত জড়িত হয় তেন্তে আৰম্ভণীৰ আবেদন পত্ৰখন কৰা তাৰিখটোকে এনে দৰে ভাগ কৰা আবেদন পত্ৰৰ এনেদৰে বিভক্ত হোৱা তাৰিখ বুলি গণ্য কৰা হব।

পঞ্জীয়ন। ১৬। (১) ধাৰা ১২ৰ উপবন্ধবোৰৰ সাপেক্ষে যেতিয়া ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নকৰণৰ বাবে এখন আবেদন পত্ৰ গ্ৰহণ কৰা হয় আৰু -

(ক) আবেদনখনক বাধা দিয়া হোৱা নাই আৰু বিৰোধকৰ জাননীৰ বাবে দিয়া সময়ৰ অৱসান হৈছে; বা

(খ) আবেদনখনক বাধা দিয়া হৈছে আৰু আবেদকৰ অনুকূলে বিৰোধীতা বিনিশ্চিত কৰা হৈছে,

পঞ্জীয়কে, যদিহে কেন্দ্ৰীয় চৰকাৰে অন্যথা নিৰ্দেশ নিদিয়ে, উক্ত ভৌগোলিক উপদৰ্শন আৰু আবেদন পত্ৰত উল্লিখিত যদি কিবা থাকে, প্ৰাধিকৃত ব্যৱহাৰকাৰীক পঞ্জীভুক্ত কৰিব আৰু ভৌগোলিক উপদৰ্শনসমূহ আৰু প্ৰাধিকৃত ব্যৱহাৰকাৰীসকল যেতিয়া পঞ্জীভুক্ত হয় উক্ত আবেদনপত্ৰ কৰা তাৰিখত পঞ্জীভুক্ত হব আৰু উক্ত তাৰিখটো ধাৰা ৮৪ৰ উপবন্ধসমূহৰ সাপেক্ষে পঞ্জীয়নকৰণৰ তাৰিখ বুলি গণ্য কৰা হ'ব।

(২) ভৌগোলিক উপদৰ্শন পঞ্জীয়নকৰণত পঞ্জীয়কে প্ৰতিজন আবেদনকাৰী আৰু প্ৰাধিকৃত ব্যৱহাৰকাৰীলৈ ইয়াৰ পঞ্জীয়নকৰণত বিহিত কৰা দৰে এনে প্ৰপত্ৰত ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নৰ মোহৰ সহ মোহৰ মৰা এখন প্ৰমানপত্ৰ প্ৰেৰণ কৰিব।

(৩) য'ত ভৌগোলিক উপদৰ্শনসমূহ পঞ্জীয়নকৰণ আবেদন কৰা তাৰিখৰ পৰা বাৰ মাহৰ ভিতৰত আবেদনকাৰীৰ ত্ৰুটীৰ কাৰণে সম্পূৰ্ণ কৰা নহয় পঞ্জীয়কে বিহিত কৰা ধৰণে আবেদনকাৰীক এখন জাননী দিয়াৰ পাচত আবেদনখন পৰিত্যাগ কৰা বুলি গণ্য কৰিব, যদিহে এইমৰ্মে জাননীত বিনিৰ্দিষ্ট কৰা সময়ৰ ভিতৰত ইয়াক সম্পূৰ্ণ কৰা নহয়।

(৪) পঞ্জীয়কে লিখাৰ ভুল বা এটা প্ৰত্যক্ষ ভুলৰ শুদ্ধকৰণৰ উদ্দেশ্যে পঞ্জীয়নকৰণ বা পঞ্জীয়ন কৰণৰ প্ৰমানপত্ৰ সংশোধন কৰিব পাৰে।

প্ৰাধিকৃত ব্যৱহাৰকাৰী ৰূপে পঞ্জীয়নৰ বাবে আবেদন। ১৭। (১) মালবস্তুৰ উৎপাদনকাৰী বুলি দাবী কৰা কোনো ব্যক্তি যিটোৰ ক্ষেত্ৰত ভৌগোলিক উপদৰ্শন সমূহ ধাৰা ১৬ৰ অধীনত পঞ্জীভুক্ত হয় তেওঁ লিখিত ভাৱে পঞ্জীয়কলৈ বিহিত ৰীতিত এনে ভৌগোলিক উপদৰ্শনসমূহৰ প্ৰাধিকৃত ব্যৱহাৰকাৰী হিচাপে তেওঁক পঞ্জীভুক্ত কৰাৰ কাৰণে আবেদন কৰিব পাৰে।

(২) উপধাৰা (১) ৰ অধীনৰ আবেদনখনত বিহিত দৰে আৰু পঞ্জীয়কৰ দ্বাৰা বিচৰা দৰে এটা বিবৃতি সহ আৰু তথ্যসমূহ এনে দস্তাৱেজবোৰৰ সৈতে সেই ব্যক্তিজন মালবস্তুবোৰৰ উৎপাদনকাৰী হয় নে নহয় সেই বিষয়ে সিদ্ধান্ত লবলৈ উক্ত উপধাৰাত উল্লিখিত আৰু বিহিত কৰা দৰে এনে মাচুল সহ একেলগে দিব লাগিব।

(৩) এই অধ্যায়ৰ উপবন্ধসমূহ নিম্নলিখিতসমূহৰ লগত সম্বন্ধিত-

(ক) আবেদন পত্ৰৰ দাখিল আৰু পৰীক্ষা ;

(খ) পঞ্জীয়ন গ্ৰহণ আৰু অস্বীকাৰ ;

(গ) আবেদনপত্ৰৰ গ্ৰহণকৰণৰ প্ৰত্যাহাৰ ;

(ঘ) আবেদনপত্ৰৰ বিজ্ঞাপন ;

(ঙ) পঞ্জীয়নৰ বিৰোধিতা ;

(চ) আবেদনপত্ৰৰ সংশোধনৰ শুধৰণি বা ভুল ; আৰু

(ছ) পঞ্জীয়ন;

উপধাৰা (১) ত উল্লিখিত প্ৰাধিকৃত ব্যৱহাৰকাৰী সকলৰ আবেদন আৰু পঞ্জীয়নৰ সম্পৰ্কত প্ৰয়োগ হব, যিদৰে সেইবোৰ ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নকৰণ আৰু পঞ্জীয়নকৰণৰ আবেদন পত্ৰৰ ওপৰত প্ৰয়োগ কৰা হয়।

পঞ্জীয়নকৰণৰ কালাৱধি, নবীকৰণ, ত্যাগকৰণ আৰু প্ৰত্যাৱৰ্তন।

১৮। (১) ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নকৰণ দহ বছৰ কালৰ বাবে হ'ব, কিন্তু এই ধাৰাৰ উপবন্ধ অনুসৰি সময়ে সময়ে নবীকৰণ কৰিব পাৰে।

(২) প্ৰাধিকৃত ব্যৱহাৰকাৰীসকলৰ পঞ্জীয়নকৰণ দহ বছৰৰ এটা কালৰ বাবে হ'ব বা ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নকৰণৰ তাৰিখ, যিটোৰ সম্বন্ধত প্ৰাধিকৃত ব্যৱহাৰকাৰীসকলৰ পঞ্জীয়নকৰণ অতিবাহিত হ'ব সেই তাৰিখ পৰ্য্যন্ত এটা কালৰ বাবে হ'ব যিটোৱেই আগৰ হয়।

(৩) পঞ্জীয়কে পঞ্জীভুক্ত গৰাকীৰ দ্বাৰা বা প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ দ্বাৰা বিহিত ৰীতিত বিহিত সময়ৰ ভিতৰত আৰু বিহিত মাচুল আদায় দিয়াৰ সাপেক্ষে ভৌগোলিক উপদৰ্শনসমূহ বা যথাস্থিতি প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ দ্বাৰা পঞ্জীয়নকৰণটোৰ নবীকৰণ, মূল পঞ্জীয়নকৰণৰ বা যথাস্থিতি পঞ্জীয়নৰ নবীকৰণৰ শেষ তাৰিখ অতিবাহিত কৰাৰ পৰা দহ বছৰৰ এটা কালৰ বাবে পঞ্জীয়নকৰণটো নবীকৰণ কৰিব (শেষৰ নবীকৰণ অতিবাহিত কৰা তাৰিখ, যিটোক এই ধাৰাৰ উল্লিখিত তাৰিখ বুলি ধৰা হ'ব)।

(৪) ভৌগোলিক উপদৰ্শন বা যথাস্থিতি প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ শেষ পঞ্জীয়নকৰণ অতিবাহিত কৰাৰ আগতেই পঞ্জীয়কজনে বিহিত সময়ৰ ভিতৰত বিহিত ৰীতিত পঞ্জীভুক্ত গৰাকীলৈ বা যথাস্থিতি প্ৰাধিকৃত ব্যৱহাৰকাৰীক অৱসানৰ তাৰিখ আৰু মাচুল আদায়কৰণৰ চৰ্তসমূহ আৰু অন্য ধৰণে যিটোৰ ওপৰত পঞ্জীয়নকৰণৰ নবীকৰণ লাভ কৰিব পাৰে তাৰ জাননী জাৰি কৰিব আৰু যদি এই সম্পৰ্কে বিহিত কৰা সময় অতিবাহিত হোৱাত সেই চৰ্তসমূহ সম্যক ভাৱে পূৰণ কৰা নহয়, পঞ্জীয়কজন ভৌগোলিক উপদৰ্শন বা যথাস্থিতি প্ৰাধিকৃত ব্যৱহাৰকাৰীক পঞ্জীয়নকৰণৰ পৰা আতৰ কৰিব পাৰে ঃ

পৰন্তু পঞ্জীয়কে ভৌগোলিক উপদৰ্শন বা যথাস্থিতি প্ৰাধিকৃত ব্যৱহাৰকাৰীক পঞ্জীৰ পৰা আতৰ নকৰিব যদি বিহিত প্ৰপত্ৰত এখন আবেদন কৰা হয় আৰু ভৌগোলিক উপদৰ্শন বা যথাস্থিতি প্ৰাধিকৃত ব্যৱহাৰকাৰীক শেষ পঞ্জীয়নৰ অৱসানৰ ছয় মাহৰ ভিতৰত বিহিত মাচুল আৰু অতিৰিক্ত মাচুল আদায় দিয়া হয়, পঞ্জীৰ পৰা আতৰ নকৰিব আৰু ভৌগোলিক উপদৰ্শনৰ বা যথাস্থিতি প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ পঞ্জীয়ন উপধাৰা (৩)ৰ অধীনত দহ বছৰৰ এটা কালৰ বাবে নবীকৰণ কৰিব।

(৫) য'ত ভৌগোলিক উপদৰ্শনৰ বা যথাস্থিতি প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ বিহিত মাচুল আদায় নকৰাৰ বাবে পঞ্জীৰ পৰা আতৰ কৰা হয়, পঞ্জীয়কে ছয় মাহৰ পাচত আৰু ভৌগোলিক উপদৰ্শন বা যথাস্থিতি প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ শেষৰ পঞ্জীয়কৰ পৰা এক বছৰৰ ভিতৰত বিহিত প্ৰপত্ৰত এখন আবেদন প্ৰাপ্তি কৰাৰ পাচত আৰু বিহিত মাচুল আদায় দিয়াৰ পাচত যদি সন্তুষ্ট হয় যে এইটো এনে কৰা ন্যায় সঙ্গত হ'ব, পঞ্জীয়নত ভৌগোলিক উপদৰ্শন বা যথাস্থিতি প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ পঞ্জীয়ন পুনৰাই বাহাল ৰাখিব আৰু ভৌগোলিক উপদৰ্শন বা যথাস্থিতি প্ৰাধিকৃত ব্যৱহাৰকাৰীয়ে হয় সাধাৰণ ভাৱে হওঁক বা আৰোপ কৰিবলৈ তেওঁ উচিত বুলি ভবা মতে এনে চৰ্ত বা পৰিসীমাৰ সাপেক্ষে শেষৰ পঞ্জীয়ন অৱসানৰ পৰা দহ বছৰ কালৰ বাবে পঞ্জীয়ন নবীকৰণ কৰিব।

নবীকৰণৰ বাবে মাচুল আদায় অসফল হোৱাৰ কাৰণে পঞ্জীয়নৰ পৰা আতৰ কৰাৰ পৰিণাম।

১৯। য'ত নবীকৰণৰ বাবে মাচুল আদায় দিবলৈ অসফল হোৱাৰ কাৰণে ভৌগোলিক উপদৰ্শনটো পঞ্জীৰ পৰা আতৰ কৰা হয়, তাত আতৰ কৰা তাৰিখৰ পৰা এক বছৰৰ ভিতৰত অন্য ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নৰ বাবে কোনো আবেদনপত্ৰৰ প্ৰয়োজনাৰ্থে পূৰ্বতে থকা ভৌগোলিক উপদৰ্শনটোকে ইতিমধ্যে পঞ্জীত থকা বুলি গণ্য কৰা হব, যদিহে ন্যায়াধিকৰণ সন্তুষ্ট নহয় যে-

(ক) তাত ভৌগোলিক উপদৰ্শনৰ কোনো প্ৰকৃত ব্যৱসায়ৰ ব্যৱহাৰ হোৱা নাই, যিটো ইয়াৰ পূৰ্ববৰ্ত্তী অপসাৰণৰ পৰা ততালিকে দুই বছৰৰ ভিতৰত আতৰ কৰা হ'ব, বা

(খ) ভৌগোলিক উপদৰ্শনৰ ব্যৱহাৰৰ পৰা কোনো প্ৰৱঞ্চনা বা খেলিমেলিৰ উদ্ভৱ নহব, যিটো ভৌগোলিক উপদৰ্শনৰ যি কোনো পূৰ্ব্বৰ ব্যৱহাৰৰ কাৰণে যিটো অপসাৰিত কৰা হ'ল পঞ্জীয়নকৰণৰ বাবে আবেদনৰ বিষয় হব।

## অধ্যায় - IV

### পঞ্জীয়নৰ প্ৰভাৱ

পঞ্জীভুক্ত নোহোৱা ভৌগোলিক উপদৰ্শনৰ অতিলঙ্ঘনৰ বাবে কোনো কাৰ্য্যব্যৱস্থা নাই।

২০। (১) পঞ্জীভুক্ত নোহোৱা ভৌগোলিক উপদৰ্শনৰ অতিলঙ্ঘনৰ বাবে বাধা দিবলৈ বা ক্ষতিপূৰণ আদায় কৰিবলৈ কোনো ব্যক্তিয়েই কোনো কাৰ্য্যবাহ ৰুজু কৰিবলৈ হক্‌দাৰ নহব।

(২) এই অধিনিয়মৰ কোনো কথাই অন্য ব্যক্তিৰ মালবস্তু হিচাপে পঠোৱা মালবস্তুৰ বাবে বা ইয়াৰ সম্পৰ্কত কোনো প্ৰতিকাৰৰ বাবে কোনো ব্যক্তিৰ বিৰুদ্ধে কাৰ্য্যব্যৱস্থাৰ স্বত্বৰ ওপৰত প্ৰভাৱ পেলাবলৈ গণ্য নহব।

পঞ্জীয়নৰ দ্বাৰা অৰ্পণ কৰা ক্ষমতাসমূহ।

২১। (১) এই অধিনিয়মৰ অন্য উপবন্ধসমূহৰ সাপেক্ষে ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়ন যদি বৈধ হয়-

(ক) ভৌগোলিক উপদৰ্শনৰ পঞ্জীভুক্ত গৰাকীলৈ আৰু প্ৰাধিকৃত ব্যৱহাৰকাৰীলৈ বা ইয়াৰ ব্যৱহাৰকাৰীসকললৈ এই অধিনিয়মৰ দ্বাৰা উপবন্ধিত কৰা ৰীতিত ভৌগোলিক উপদৰ্শনৰ অতিলঙ্ঘনৰ সম্পৰ্কত সাহায্য লাভ কৰিবলৈ ক্ষমতা দিব ;

(খ) মালবস্তুৰ সম্বন্ধত যিটোৰ বিষয়ে ভৌগোলিক উপদৰ্শন পঞ্জীভুক্ত হয়, ভৌগোলিক উপদৰ্শনৰ ব্যৱহাৰৰ বাবে ইয়াৰ প্ৰাধিকৃত ব্যৱহাৰকাৰীলৈ আচুতীয়া ক্ষমতা দিব ;

(২) উপধাৰা (১) ৰ খণ্ড (খ) ৰ অধীনত ভৌগোলিক উপদৰ্শনৰ ব্যৱহাৰৰ বাবে দিয়া আচুতীয়া ক্ষমতা কোনো চৰ্ত্ত আৰু পৰিসীমাৰ সাপেক্ষে হব যিটোৰ সাপেক্ষে ভৌগোলিক উপদৰ্শন পঞ্জীভুক্ত কৰা হয়।

(৩) য'ত ভৌগোলিক উপদৰ্শনৰ প্ৰাধিকৃত ব্যৱহাৰকাৰীসকল দুজন বা অধিক হয়, যিসকল ইজনে সিজনৰ লগত অভিন্ন হয় বা সদৃশ হয়, ভৌগোলিক উপদৰ্শনসমূহৰ যিকোনোটোৰ ব্যৱহাৰৰ বাবে থকা আচুতীয়া ক্ষমতা (পঞ্জীয়নত ভুক্ত থকা কোনো চৰ্ত্ত বা পৰিসীমাৰ সাপেক্ষে যিমানদূৰ তেওঁলোকৰ ব্যক্তিগত ক্ষমতাৰ ব্যতিৰেকে) নহব, একমাত্ৰ ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নৰ দ্বাৰা সেই ব্যক্তিসকলৰ কোনো এজনৰ বিৰুদ্ধে সেই ব্যক্তিসকলৰ কোনো এজনৰ দ্বাৰা আহৰণ কৰা হৈছে বুলি গণ্য কৰা হব, কিন্তু অন্য ব্যক্তিসকলৰ বিৰুদ্ধে থকাৰ দৰে সেই ব্যক্তিসকলৰ প্ৰত্যেকজনৰে অন্যথা একেই ক্ষমতা থাকিব, যিদৰে তেওঁৰ থাকে যদি তেওঁ একমাত্ৰ প্ৰাধিকৃত ব্যৱহাৰকাৰী হয়।

পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনসমূহৰ অতিলঙ্ঘন।

২২। (১) পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শন অতিলঙ্ঘন কৰা এজন ব্যক্তি যিজন ইয়াৰ প্ৰাধিকৃত ব্যৱহাৰকাৰী নহয় তেনে ব্যক্তিয়ে যেতিয়া-

(ক) মালবস্তুবোৰৰ প্ৰতিৰূপ প্ৰদৰ্শন বা নামত যিকোনো উপায়েৰে এনে ভৌগোলিক উপদৰ্শন ব্যৱহাৰ কৰে, সেইটোৱে সূচনা কৰে বা পৰামৰ্শ দিয়ে যে এনে মালবস্তুবোৰৰ উৎপত্তি প্ৰকৃত স্থানৰ অন্যাথা এখন ভৌগোলিক স্থানত উৎপত্তি হৈছে, একে ধৰণে যিটোৱে ব্যক্তি সকলক এনে মালবস্তুবোৰৰ ভৌগোলিক উৎপত্তি সম্পৰ্কে ভুল তথ্য দিয়ে,

(খ) কোনো ভৌগোলিক উপদৰ্শনৰ ব্যৱহাৰ এনে ৰীতিত কৰে, যিটোৱে অসৎ প্ৰতিযোগিতাৰ কাৰ্য্য গঠিত কৰে, যি পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ সম্পৰ্কত হঠাতে প্ৰেৰণ কৰাকো অন্তৰ্ভুক্ত কৰে।

**স্পষ্টীকৰণ ১** - এই খণ্ডৰ প্ৰয়োজনাৰ্থে ''অসৎ প্ৰতিযোগিতাৰ কাৰ্য্য'' মানে ঔদ্যোগিক বা বাণিজ্যিক বিষয়সমূহৰ অসৎ অভ্যাসৰ ওলোটা প্ৰতিযোগিতাৰ কোনো কাৰ্য্য।

**স্পষ্টীকৰণ ২** - সন্দেহ দূৰীকৰণৰ বাবে এইটো ইয়াৰ দ্বাৰা পৰিস্কাৰ কৰা হ'ল যে নিম্নলিখিত কাৰ্যসমূহ অসৎ প্ৰতিযোগিতাৰ কাৰ্য্য বুলি গণ্য কৰা হব, অৰ্থাৎ -

(।) এজন প্ৰতিযোগীৰ মালবস্তুসমূহ বা ঔদ্যোগিক বা বাণিজ্যিক কাৰ্য্যকলাপসমূহ সংস্থাপন সহ যিয়েই নহওঁক যিকোনো উপায়েৰে সন্দেহৰ সৃষ্টি কৰাৰ বিষয়ে এনে প্ৰকৃতিৰ সকলো কাৰ্য্য ;

(।।) এজন প্ৰতিযোগীৰ সংস্থাপন মালবস্তুবোৰ বা ঔদ্যোগিক বা বাণিজ্যিক কাৰ্য্যকলাপৰ অবিশ্বাস কৰাৰ ক্ষেত্ৰত এনে প্ৰকৃতিৰ সম্পন্ন ব্যৱসায়ৰ ক্ৰমত, মিছা অভিযোগ ;

(।।।) ভৌগোলিক উপদৰ্শন, যাৰ ব্যৱহাৰে ব্যৱসায়ৰ ক্ৰমত মালবস্তুবোৰৰ প্ৰকৃতি, উৎপাদন প্ৰক্ৰিয়া, বৈশিষ্ট্য সেইবোৰৰ উদ্দেশ্যে উপযুক্ততা বা পৰিমাণৰ বিষয়ে এজন ব্যক্তিক ভুলপথে নিয়াৰ বাবে জগৰীয়া হব ;

(গ) মালবস্তুসমূহত, অন্য ভৌগোলিক উপদৰ্শনৰ ব্যৱহাৰ কৰে যিটো ৰাজ্যক্ষেত্ৰ, অঞ্চল বা স্থানীয় অঞ্চলৰ বিষয়ত য'ত মালবস্তুবোৰ উদ্ভৱ হয় যদিও প্ৰকৃততে সত্য মিছাকৈয়ে ব্যক্তিজনক জনাই দিয়ে যে মালবস্তুবোৰ ৰাজ্যক্ষেত্ৰ, অঞ্চল বা স্থানীয় অঞ্চল যাৰ সম্পৰ্কত এনে পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনসমূহৰ সম্বন্ধ থাকে।

(২) কেন্দ্ৰীয় চৰকাৰে যদি উপধাৰা (৩)ৰ অধীনত কিছুমান বস্তু বা কিছুমান শ্ৰেণীৰ বস্তুৰ ওপৰত অতিৰিক্ত সুৰক্ষা দিয়াৰ আৱশ্যক বুলি ভাৱে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এনে সুৰক্ষাৰ কাৰণে এনে মালবস্তুবোৰ বা শ্ৰেণী বা শ্ৰেণীসমূহৰ মালবস্তুবোৰ বিনিৰ্দিষ্ট কৰিব পাৰে।

(৩) কোনো ব্যক্তি যিজন উপধাৰা (২)ৰ অধীনত অধিসূচিত মালবস্তু বা মালবস্তুৰ কোনো শ্ৰেণী বা শ্ৰেণীসমূহৰ সম্পৰ্কত এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ প্ৰাধিকৃত ব্যৱহাৰকাৰী নহয়, এনে মালবস্তু বা মালবস্তুৰ শ্ৰেণী বা শ্ৰেণীসমূহৰ এনে অন্য ভৌগোলিক উপদৰ্শনৰ দ্বাৰা দেখুৱাই দিয়া স্থানত মূলতে উদ্ভৱ নোহোৱা অন্য কোনো ভৌগোলিক উপদৰ্শনৰ দ্বাৰা ব্যৱহাৰ কৰে এনে মালবস্তুবোৰৰ সত্য মূল উদ্ভাৱনটো দেখুৱাই দিয়া হয় যদিও এনে মালবস্তুবোৰ বা মালবস্তুৰ শ্ৰেণী বা শ্ৰেণীসমূহৰ এনে অন্য ভৌগোলিক উপদৰ্শন স্থানান্তৰিত সত্য মূল উদ্ভাৱন হোৱা স্থানত এনে মালবস্তু বা মালবস্তুৰ শ্ৰেণী বা শ্ৰেণীসমূহৰ বা এনে উক্তিৰ দ্বাৰা একগোট হৈ যেনে ''প্ৰকাৰ'' ''ধৰণ'' বা ''অনুকৰণ'' বা ব্যৱহাৰ কৰে, এনে পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শন অমান্য কৰিব।

(৪) এই ধাৰাত কোনো কথা থকা স্বত্বেও, য'ত মালবস্তুবোৰ যাৰ সম্বন্ধত ভৌগোলিক উপদৰ্শন পঞ্জীভুক্ত কৰা হয়, এনে ভৌগোলিক উপদৰ্শনৰ প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ বাবে অন্য এজন ব্যক্তিৰ দ্বাৰা বিধিগত ভাবে আহৰণ কৰিব তাৰ ওপৰি এনে ব্যক্তিৰ দ্বাৰা, এনে মালবস্তুবোৰৰ লেনদেন কৰা, কাৰ্য্যবাহ কৰা আৰু পেক কৰা কাৰ্য্যকো অন্তৰ্ভুক্ত কৰিব, যিটোৱে এনে মালবস্তুবোৰ বজাৰত উলিওৱাৰ পাচত, ইয়াৰ চৰ্ত্তৰ ওপৰত বাধা দিয়াৰ ব্যতিৰেকে এনে ভৌগোলিক উপদৰ্শন অতিলঙ্ঘন কৰা কাৰ্য্য সংগঠিত নকৰিব।

পঞ্জীয়নকৰণেই বৈধতাৰ সুস্পষ্ট প্ৰমান হব।

২৩। (১) ভৌগোলিক উপদৰ্শনৰ সম্বন্ধত সকলো বিধিগত কাৰ্য্যবাহতেই এই অধিনিয়মৰ অধীনত পঞ্জীয়কৰ দ্বাৰা পঞ্জীয়নু সম্পৰ্কে অনুমোদিত প্ৰমান পত্ৰত ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নকৰণৰ মোহৰ মৰা পঞ্জীয়নত ভুক্তকৰণৰ প্ৰতিলিপি ইয়াৰ বৈধতাৰ সু-স্পষ্ট সাক্ষ্য হব যিটো সকলো ন্যায়ালয়তেই আৰু আপীল বোৰ্ডৰ আগত অতিৰিক্ত বিনা প্ৰমাণ বা মূলৰ বিষয়ে উত্থাপন নকৰাকৈয়ে গ্ৰহণ যোগ্য হব।

(২) এই ধাৰাৰ কোনো কথাই অপঞ্জীভুক্ত ভৌগোলিক উপদৰ্শন সম্পৰ্কত কাৰ্য্যবাহকৰণৰ ক্ষমতাৰ ওপৰত প্ৰভাৱ পেলাব বুলি গণ্য নহব।

হস্তান্তৰ বা প্ৰেৰণ, আদিৰ নিষিদ্ধকৰণ।

২৪। (১) তৎকালিন বলবৎ থকা কোনো বিধিত থকা কোনো কথাই পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ হস্তান্তৰ, প্ৰেৰণ কৰা, অনুজ্ঞাপত্ৰ দিয়া, প্ৰত্যাভূতি দিয়া, বন্ধকী দিয়া বা অন্য কোনো চুক্তিৰ, বিষয়বস্তু নহব ঃ

পৰন্তু প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ মৃত্যু হলে পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনত থকা তেওঁৰ ক্ষমতা সম্প্ৰতি বলবৎ থকা বিধিৰ অধীনত তেওঁৰ স্বত্বাধিকাৰ উত্তৰাধিকাৰীলৈ হস্তান্তৰ কৰা হব।

## অধ্যায় - V

### বাণিজ্যিক চিহ্ন আৰু পূৰ্বৰ ব্যৱহাৰকাৰীৰ লগত সম্বন্ধিত বিশেষ উপবন্ধসমূহ

বাণিজ্যিক চিহ্ন হিচাপে ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নত নিষিদ্ধকৰণ।

২৫।(১) বাণিজ্যিক চিহ্ন অধিনিয়ম, ১৯৯৯ত কোনো কথা থকা স্বত্বেও উক্ত অধিনিয়মৰ ধাৰা ৩ত উল্লিখিত বাণিজ্যিক চিহ্নসমূহৰ পঞ্জীয়কে ইচ্ছাকৃত ভাবে বা সম্বন্ধিত পক্ষৰ অনুৰোধ মৰ্মে বাণিজ্যিক চিহ্নৰ পঞ্জীয়নকৰণ অস্বীকাৰ কৰিব বা বাতিল কৰিব যিটো-

(ক) দেশৰ ৰাজ্যক্ষেত্ৰ বা অঞ্চল বা সেই ৰাজ্যক্ষেত্ৰৰ স্থানীয় অঞ্চলত মূলতে উদ্ভৱ নোহোৱা মালবস্তুবোৰৰ বা মালবস্তুৰ শ্ৰেণী বা মালবস্তু শ্ৰেণীসমূহৰ সম্বন্ধত গঠিত হয় বা ভুক্ত হয়, যিটোৱে এনে ভৌগোলিক উপদৰ্শনটো দেখুৱাই দিব, যদি এনে ভৌগোলিক উপদৰ্শন সমূহত ব্যৱহৃত হোৱা এনে মালবস্তুবোৰ, এনে ধৰণে হয়, যি ব্যক্তিজনক এনে মালবস্তুবোৰৰ বা মালবস্তুৰ শ্ৰেণী বা মালবস্তুৰ শ্ৰেণীসমূহৰ মূলতে উদ্ভৱ হোৱা প্ৰকৃত স্থানৰ বিষয়ে সন্দেহৰ সৃষ্টি কৰে বা ভুলবাট দেখুৱাই দিয়ে ;

(খ) ধাৰা ২২ৰ উপধাৰা (২)ৰ অধীনত অধিসূচিত চিনাক্ত মালবস্তু বা মালবস্তুৰ শ্ৰেণী বা মালবস্তুৰ শ্ৰেণী বা মালবস্তুৰ শ্ৰেণীসমূহৰ ভুক্ত থকা বা গঠিত হোৱা ভৌগোলিক উপদৰ্শন ;

কিছুমান বাণিজ্যিক চিহ্নত সুৰক্ষা।

২৬। (১) য'ত এটা বাণিজ্যিক চিহ্নত ভৌগোলিক উপদৰ্শন ভুক্ত থাকে বা গঠিত হয় আৰু তৎকালিক বলবৎ থকা বাণিজ্যিক চিহ্ন সমূহৰ লগত সম্বন্ধিত বিধিৰ অধীনত সৰল বিশ্বাসত প্ৰয়োগ কৰা হৈছে বা পঞ্জীভুক্ত হয় সৰল বিশ্বাসত ব্যৱহাৰৰ যোগেদি এনে বাণিজ্যিক চিহ্নত স্বত্ব দিয়া হয়-

(ক) এই অধিনিয়ম আৰম্ভণী হোৱাৰ আগতেই হওঁক বা

(খ) এই অধিনিয়মৰ অধীনত এনে ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নকৰণৰ বাবে আবেদন পত্ৰ দাখিলকৰণৰ তাৰিখৰ আগতেই হওঁক এই অধিনিয়মত থকা কোনো কথাই তৎকালিক বলবৎ বাণিজ্যিক চিহ্নৰ লগত সম্বন্ধিত বিধিৰ অধীনত এনে বাণিজ্যিক চিহ্ন পঞ্জীয়নকৰণৰ বৈধতা বা পঞ্জীয়নৰ যোগ্যতা বা এনে ভৌগোলিক উপদৰ্শনৰ লগত এনে বাণিজ্যিক চিহ্ন অভিন্ন হয় বা একে মিল থকা কাৰণে এনে বাণিজ্যিক চিহ্ন ব্যৱহাৰ কৰা ক্ষমতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলাব ;

(২) ভৌগোলিক উপদৰ্শনৰ সম্পৰ্কত মালবস্তু বা মালবস্তুৰ শ্ৰেণী বা মালবস্তুৰ শ্ৰেণীসমূহৰ সম্বন্ধত বা ভাৰতৰ কোনো অংশত থকা এনে মালবস্তুবোৰৰ সাধাৰণ নামত সাধাৰণ ভাষাত প্ৰচলিত সময়ৰ ভিতৰত বা ১৯৯৫ চনৰ ১ জানুৱাৰী তাৰিখৰ আগতে বা যিটোৰ নামত এনে ভৌগোলিক উপদৰ্শনৰ মিল থাকে এই অধিনিয়মত থকা কোনো কথাই প্ৰয়োগ নহব।

(৩) য'ত ব্যক্তিজনৰ নাম বা ব্যৱসায়ত উত্তৰাধিকাৰী হোৱা সেই ব্যক্তিজনৰ নাম, ব্যৱসায়ৰ নামত ব্যৱহাৰ কৰিবলৈ মানুহক খেলি-মেলি কৰে বা ভুলকৈ চলায়, তেনে ক্ষেত্ৰত এই অধিনিয়মত থকা কোনো কথাই যিকোনো উপায়েৰে কোনো ব্যক্তিৰ ব্যৱহাৰৰ ক্ষমতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলাব।

(৪) বাণিজ্যিক চিহ্ন অধিনিয়ম, ১৯৯৯ বা এই অধিনিয়মত কোনো কথা থকা স্বত্বেও, বাণিজ্যিক চিহ্নৰ ব্যৱহাৰ বা পঞ্জীয়ন সম্পৰ্কত কোনো কাৰ্য্যব্যৱস্থা এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত হোৱা কোনো ভৌগোলিক উপদৰ্শনত, এনে ব্যৱহাৰ বা পঞ্জীয়নকৰণ অতিলঙ্ঘন কৰা তাৰিখৰ পৰা পাঁচ বছৰ পাৰ হোৱাৰ পাচত এই অধিনিয়মৰ অধীনত এনে ভৌগোলিক উপদৰ্শনৰ সম্পৰ্কত পঞ্জীভুক্ত গৰাকী বা পঞ্জীভুক্ত প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ জ্ঞাত হয় বা উক্ত বাণিজ্যিক চিহ্নৰ অধীনত বাণিজ্যিক চিহ্নটো পঞ্জীভুক্ত হোৱা তাৰিখৰ পাচত চৰ্ত্ত সাপেক্ষে যে উক্ত বাণিজ্যিক চিহ্ন অধিনিয়ম, ১৯৯৯ৰ উপবন্ধ সমূহৰ অধীনত বা উক্ত

তাৰিখত ইয়াৰ অধীনত প্ৰণয়ন কৰা নিয়মাৱলীৰ দ্বাৰা বাণিজ্যিক চিহ্নটো প্ৰকাশিত হৈছিল, লোৱা নহব যদি এনে তাৰিখত যিটো তাৰিখত এনে অতিলঙ্ঘনকৰণটো এনে গৰাকী বা প্ৰাধিকৃত ব্যৱহাকাৰীৰ জ্ঞাত হোৱা তাৰিখৰ পূৰ্ব্বৰ হয় আৰু এনে ভৌগোলিক উপদৰ্শন অসৎ বিশ্বাসত পঞ্জীভুক্ত বা ব্যৱহৃত হোৱা নাই।

## অধ্যায় - VI

## পঞ্জীয়নৰ পৰিশোধন আৰু শুধৰণি

পঞ্জীয়নকৰণ নাকচ কৰিবলৈ বা পৰিৱৰ্ত্তন কৰিবলৈ আৰু পঞ্জী পৰিশোধন কৰিবলৈ ক্ষমতা।

২৭। (১) ক্ষোভিত কোনো ব্যক্তিৰ দ্বাৰা আপীল বোৰ্ডলৈ বা পঞ্জীয়কলৈ বিহিত ৰীতিত কৰা আবেদনৰ ওপৰত ন্যায়াধিকৰণে যদি উচিত ভাৱে ভৌগোলিক উপদৰ্শন বা ব্যৱহাৰকাৰীৰ পঞ্জীয়নৰ কোনো অতিলঙ্ঘন বা তাত থকা পঞ্জীত প্ৰবিষ্ট কাৰণবোৰ পালন কৰিবলৈ অসফল হোৱাৰ আধাৰত নাকচ কৰা বা পৰিৱৰ্ত্তন কৰাৰ আদেশ দিব পাৰে।

(২) কোনো প্ৰবিষ্টি পঞ্জীৰ পৰা অবিদ্যমান হোৱা বা লোপকৰণৰ দ্বাৰা বা পৰ্য্যাপ্ত কাৰণ নোহোৱাকৈ পঞ্জীত কৰা কোনো প্ৰবিষ্টিৰ দ্বাৰা পঞ্জীত ভুলকৈ ৰখা কোনো প্ৰবিষ্টিৰ দ্বাৰা বা পঞ্জীৰ কোনো প্ৰবিষ্টিত কোনো ত্ৰুটী বা খুতৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে আপীল বোৰ্ডলৈ বা পঞ্জীয়কলৈ বিহিত ৰীতিত আবেদন কৰিব পাৰে আৰু ন্যায়াধিকৰণে উচিত বুলি ভবা দৰে বিলোপ বা পৰিৱৰ্ত্তন কৰাৰ এনে আদেশ কৰিব পাৰে।

(৩) ন্যায়াধিকৰণে এই ধাৰাৰ অধীনত কোনো প্ৰশ্ন নিৰ্দ্ধাৰণ কৰিব পাৰে যিটো পঞ্জীৰ পৰিশোধনৰ সম্পৰ্কত নিৰ্দ্ধাৰণ কৰিবলৈ আৱশ্যকীয় বা সমীচীন হয়।

(৪) ন্যায়াধিকৰণে ইয়াৰ নিজৰ মতত সংশ্লিষ্ট পক্ষ গণলৈ বিহিত ৰীতিত জাননী দিয়াৰ পাচত আৰু তেওঁলোকক শুনানীৰ এটা যুক্তিসঙ্গত সুযোগ দিয়াৰ পাচত উপধাৰা (১) বা উপধাৰা (২)ত উল্লিখিত কোনো আদেশ কৰিব পাৰে।

(৫) পঞ্জী পৰিশোধন কৰা আপীল বোৰ্ডৰ কোনো আদেশে নিৰ্দ্দেশ দিব যে পৰিশোধনৰ জাননী পঞ্জীয়কৰ ওপৰত বিহিত ৰীতিত জাৰি কৰা হব যিজনে এনে জাননী প্ৰাপ্তি কৰাৰ পাচত তদনুসাৰে পঞ্জীখন পৰিশোধন কৰিব।

পঞ্জীৰ শুধৰণি।

২৮। পঞ্জীভুক্ত গৰাকী বা প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ দ্বাৰা বিহিত ৰীতিত দিয়া আবেদনৰ ওপৰত পঞ্জীয়কে-

(ক) ভৌগোলিক উপদৰ্শনৰ পঞ্জীভুক্ত গৰাকী বা যথাস্থিতি প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ নাম, ঠিকনা বা বৰ্ণনাৰ কোনো ভুল বা ভৌগোলিক উপদৰ্শনৰ সম্বন্ধত পঞ্জীয়নৰ অন্য প্ৰবিষ্টিত থকা ভুল, শুদ্ধ কৰিব পাৰে;

(খ) ব্যক্তিৰ সংস্থা বা উৎপাদনকাৰী বা যথাস্থিতি কোনো সংগঠন বা প্ৰাধিকাৰী যিজনত পঞ্জী ভৌগোলিক উপদৰ্শনৰ গৰাকী হিচাপে পঞ্জীভুক্ত হয়, নাম, ঠিকনা বা বৰ্ণনাৰ কোনো পৰিৱৰ্ত্তন কৰিব পাৰে;

(গ) পঞ্জীত ভৌগোলিক উপদৰ্শনৰ প্ৰবিষ্টিটো নাকচ কৰিব পাৰে;

(ঘ) সেইবোৰ মালবস্তুৰ পৰা যিবোৰৰ সম্পৰ্কত ভৌগোলিক উপদৰ্শনটো পঞ্জীৰ পৰা পঞ্জীভুক্ত কৰা হয়, কোনো মালবস্তু বা তেনে শ্ৰেণী বা মালবস্তুবোৰৰ তেনে শ্ৰেণীসমূহৰ কাৰ্য্যাৰম্ভ কৰিব পাৰে;

আৰু পঞ্জীয়নৰ প্ৰমান পত্ৰত কোনো আনুসঙ্গিক পৰিশোধন বা পৰিৱৰ্তন কৰিব পাৰে আৰু সেই উদ্দেশ্যৰ বাবে পঞ্জীয়নৰ প্ৰমান পত্ৰখন তেওঁৰ আগত উথাপন কৰিবলৈ অপেক্ষা কৰিব পাৰে।

আৰু পঞ্জীয়নৰ প্ৰমাণপত্ৰত কোনো আনুসঙ্গিক পৰিশোধন বা পৰিৱৰ্ত্তন কৰিব পাৰে আৰু সেই উদ্দেশ্যৰ বাবে পঞ্জীয়নৰ প্ৰমাণপত্ৰখন তেওঁৰ আগত উত্থাপন কৰিবলৈ অপেক্ষা কৰিব পাৰে।

পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ পৰিৱৰ্ত্তন কৰণ।

২৯। (১) ভৌগোলিক উপদৰ্শনৰ পঞ্জীভুক্ত গৰাকীজনে বিহিত ৰীতিত পঞ্জীয়কলৈ কোনো ৰীতিত তাৰ সাদৃশ্যত মুলতঃ প্ৰভাৱ নপৰাকৈ ভৌগোলিক উপদৰ্শন সংযোজন কৰিবলৈ বা পৰিৱৰ্ত্তন কৰিবলৈ অনুমতিৰ বাবে আবেদন কৰিব পাৰে আৰু পঞ্জীয়কে উচিত বুলি ভবা মতে এনে সময়ৰ বাবে আৰু এনে পৰিসীমাৰ সাপেক্ষে অনুমতি অস্বীকাৰ কৰিব পাৰে বা মঞ্জুৰ কৰিব পাৰে।

(২) পঞ্জীয়কে এই ধাৰাৰ অধীনত এখন প্ৰমাণ পত্ৰ, বাতৰি কাকতত বিজ্ঞাপনত দিয়াব পাৰে, য'ত এইটো তেওঁৰ প্ৰতীয়মান হয় যে এইটো এনে কৰিবলৈ বিধেয় হয় আৰু য'ত তেওঁ এনে কৰে, যদি বিজ্ঞাপনত দিয়া তাৰিখৰ পৰা বিহিত সময়ৰ ভিতৰত হয়, কোনো ব্যক্তিয়ে বিহিত ৰীতিত আবেদনৰ বিৰোধিতাৰ এখন জাননী পঞ্জীয়কলৈ দিয়ে পঞ্জীয়কে পক্ষগণক শুনাৰ পাচত যদি অপেক্ষিত কৰে ৰিষয়টো বিনিশ্চিত কৰিব।

(৩) য'ত ভৌগোলিক উপদৰ্শনটো পৰিৱৰ্ত্তন হোৱা ধৰণে এই ধাৰাৰ অধীনত অনুমতি মঞ্জুৰ কৰা হয়, বিহিত থকা ৰীতিত বিজ্ঞাপন দিয়া হব, যদিহে আবেদন পত্ৰ উপধাৰা (২)ৰ অধীনত ইতিমধ্যে, ইয়াক বিজ্ঞাপিত কৰা হোৱা নাই।

মালবস্তুবোৰৰ শ্ৰেণী বিভাজনৰ পৰিশোধন বা প্ৰতিষ্ঠাপন কৰিবলৈ পঞ্জীত প্ৰবিষ্টিৰ অনুকূলতা।

৩০। (১) পঞ্জীয়কে পঞ্জীৰ কোনো পৰিশোধন নকৰিব যিবোৰৰ কোনো মালবস্তু বা মালবস্তুৰ শ্ৰেণীৰ প্ৰভাৱ থাকিব যিবোৰৰ সম্পৰ্কত মালবস্তুবোৰৰ বিষয়ে ভৌগোলিক উপদৰ্শনৰ সংশোধন কৰা হয় বা পঞ্জীয়নৰ পঞ্জীত অব্যৱহিত পূৰ্বেই এটা ভৌগোলিক উপদৰ্শন পঞ্জীভুক্ত কৰা হয়ঃ

পৰন্তু এই উপধাৰা প্ৰয়োগ নহব যেতিয়া পঞ্জীয়ক সন্তুষ্ট হয় যে তাৰ পালন জটিলতাত জড়িত হব আৰু সংযোজন বা যথাস্থিতি পশ্চাৎ দিনত মালবস্তুৰ পৰ্য্যাপ্ত গুণাগুণত প্ৰভাৱিত নকৰিব আৰু কোনো ব্যক্তিৰ স্বত্বাধিকাৰৰ ওপৰত পৰ্য্যাপ্তভাৱে প্ৰতিকূল প্ৰভাৱ নেপেলাব।

(২) পঞ্জী সংশোধন কৰিবলৈ কৰা এটা প্ৰস্তাৱ বিহিত ৰীতিত প্ৰভাৱিত আৰু বিজ্ঞাপিত ভৌগোলিক উপদৰ্শনৰ স্বত্বাধিকাৰী আৰু প্ৰত্যেক ব্যৱহাৰকাৰীৰ দৃষ্টি গোচৰলৈ অনা হব আৰু উপধাৰা (১)ৰ উপবন্ধবোৰৰ উলংঘন কৰা প্ৰস্তাৱিত সংশোধনৰ আধাৰত ক্ষোভিত কোনো ব্যক্তিৰ দ্বাৰা পঞ্জীয়কৰ আগত বিৰোধিতা কৰিব পাৰে।

## অধ্যায় - VII

## আপীল বোৰ্ডলৈ আপীলকৰণ

আপীল বোৰ্ডলৈ আপীলকৰণ।

৩১। (১) এই অধিনিয়মৰ অধীনত বা ইয়াৰ অধীনত প্ৰণয়ন কৰা নিয়মাৱলীৰ অধীনত পঞ্জীয়কৰ আদেশ বা সিদ্ধান্তৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে এনে তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত আপীল বোৰ্ডলৈ আপীল কৰিব পাৰে যিটো তাৰিখৰ পৰা আপীল কৰিব পৰা আদেশ বা সিদ্ধান্ত আপীল কৰা এনে ব্যক্তি গৰাকীলৈ প্ৰেৰণ কৰা হয়।

(২) কোনো আপীল গ্ৰহণ কৰা নহব, যদি উপধাৰা (১)ৰ অধীনত বিনিৰ্দিষ্ট সময় অৱসান হোৱাৰ পাচত আপীল কৰা হয়ঃ

পৰন্তু ইয়াত বিনিৰ্দিষ্ট সময় অৱসান হোৱাৰ পাচত এটা আপীল গ্ৰহণ কৰিব পাৰে যদি আপীলকাৰীয়ে আপীল বোৰ্ডক সন্তুষ্ট কৰিব পাৰে যে বিনিৰ্দিষ্ট সময়ৰ ভিতৰত আপীল নকৰাৰ বাবে তেওঁৰ যথেষ্ট কাৰণ আছিল।

(৩) আপীল বোৰ্ডলৈ এটা আপীল বিহিত প্ৰপত্ৰত হব আৰু বিহিত ৰীতিত প্ৰমাণিত কৰা হব আৰু আপীল কৰা আদেশ বা সিদ্ধান্তৰ এটা প্ৰতিলিপি আৰু বিহিত কৰা দৰে এনে মাচুল গাঠি দিয়া হব।

ন্যায়ালয়, ইত্যাদিৰ অধিকাৰিতাৰ বাধা।

৩২। কোনো ন্যায়ালয় বা অন্য প্ৰাধিকাৰীৰ, ধাৰা ৩১ৰ ধাৰা (১)ত নিৰ্দ্দেশিত বিষয়সমূহৰ সম্বন্ধত কোনো অধিকাৰিতা, ক্ষমতা বা প্ৰাধিকাৰ প্ৰয়োগ কৰিবলৈ ক্ষমতা নাথাকিব বা হকদাৰ নহব।

আপীল বোৰ্ডৰ প্ৰক্ৰিয়া।

৩৩। বাণিজ্য চিহ্ন অধিনিয়ম, ১৯৯৯ৰ ধাৰা ৮৪, ধাৰা ৮৭, ধাৰা ৯২, ধাৰা ৯৫ আৰু ধাৰা ৯৬ৰ উপধাৰা (২), (৩), (৪), (৫) আৰু (৬)ৰ উপবন্ধসমূহ এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহ নিৰ্বহন কৰিবলৈ প্ৰয়োগ হব যিদৰে সেইবোৰ বাণিজ্য চিহ্ন অধিনিয়ম, ১৯৯৯ৰ অধীনত ইয়াৰ কৃত্যসমূহ নিৰ্বহন কৰিবলৈ প্ৰয়োগ হয়।

আপীল বোৰ্ডত পৰিশোধন ইত্যাদিৰ বাবে কৰা আবেদনৰ প্ৰক্ৰিয়া।

৩৪। (১) পঞ্জী পৰিশোধন কৰাৰ বাবে আপীল বোৰ্ডলৈ ধাৰা ২৭ৰ অধীনত কৰা এখন আবেদন বিহিত ৰীতিত এনে প্ৰপত্ৰত হব লাগিব।

(২) এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ সম্বন্ধত আপীল বোৰ্ডৰ প্ৰতিটো আদেশ বা নিৰ্ণয়ৰ এটা প্ৰমাণিত প্ৰতিলিপি, আপীল বোৰ্ডৰ দ্বাৰা পঞ্জীয়কলৈ প্ৰেৰণ কৰা হব আৰু পঞ্জীয়কে বোৰ্ডৰ আদেশত প্ৰভাৱিত হব আৰু যেতিয়া এনেদৰে নিৰ্দ্দেশ দিয়া হয় প্ৰবিষ্টিবোৰ পৰিশোধন কৰিব বা এনে আদেশ অনুসৰি পঞ্জীখন শুদ্ধ কৰিব।

বিধিক কাৰ্য্যবাহীত পঞ্জীয়কৰ উপস্থিতি।

৩৫। (১) পঞ্জীয়কৰ উপস্থিত থকাৰ আৰু নিম্নলিখিত সমূহৰ শুনানীৰ অধিকাৰ থাকিব-

(ক) আপীল বোৰ্ডত যিকোনো বিধিক কাৰ্য্যবাহত, য'ত প্ৰতিকাৰ বিচৰা হয় পঞ্জীৰ পৰিৱৰ্ত্তনকৰণ বা পৰিশোধন বা য'ত ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নৰ ব্যৱহাৰ সম্বন্ধত যি কোনো প্ৰশ্ন উত্তৱ হয় তাক অন্তৰ্ভুক্ত কৰিব ;

(খ) ভৌগোলিক উপদৰ্শন বা প্ৰাধিকৃত ব্যৱহাৰকাৰী পঞ্জীয়নকৰণৰ বাবে আবেদনৰ ওপৰত পঞ্জীয়কৰ আদেশৰ পৰা বোৰ্ডলৈ কৰা যিকোনো আপীলত-

(i) যিটোৰ বিৰোধিতা কৰা নহয় আৰু কোনো সংশোধন, ৰূপান্তৰকৰণ, চৰ্ত্ত বা পৰিসীমাৰ সাপেক্ষে পঞ্জীয়কৰ দ্বাৰা অস্বীকাৰ কৰা হয় বা তেওঁৰ দ্বাৰা গ্ৰহন কৰা হয় ; বা

(ii) যিটো বিৰোধিতা কৰা হয় আৰু পঞ্জীয়কে বিবেচনা কৰে যে জনসাধাৰণৰ স্বাৰ্থত তেওঁৰ উপস্থিতি আৱশ্যক, আৰু যিকোনো গোচৰতেই পঞ্জীয়ক উপস্থিত হব যদি বোৰ্ডৰ দ্বাৰা এনে নিৰ্দ্দেশ দিয়া হয়।

(২) যদিহে আপীল বোৰ্ডৰ দ্বাৰা অন্যথা নিৰ্দ্দেশ দিয়া নহয় পঞ্জীয়কে উপস্থিতি থকাৰ পৰিৱৰ্ত্তে বিবাদীয় বিষয়ৰ লগত সম্বন্ধিত তেওঁৰ আগত থকা কাৰ্য্যবাহসমূহ তেওঁ উচিত বুলি ভবা মতে এনে বিৱৰণ সমূহত তেওঁৰ দ্বাৰা হস্তাক্ষৰিত এটা লিখিত বিবৃতি ইয়াত প্ৰভাৱিত হোৱা তেওঁৰ দ্বাৰা দিয়া কোনো সিদ্ধান্তৰ কাৰণসমূহ বা এনে গোচৰত পঞ্জীভুক্ত হোৱা ভৌগোলিক উপদৰ্শনসমূহৰ ব্যৱহাৰ বা বিবাদসমূহৰ লগত প্ৰাসঙ্গিক অন্য বিষয়সমূহ আৰু পঞ্জীয়ক হিচাপে তেওঁৰ বিবেচনাৰ ভিতৰত থকা আৰু এনে বিবৃতি সমূহ কাৰ্য্যবাহৰ সাক্ষ্য হব।

আপীল বোৰ্ডত কৰা কাৰ্যবাহ সমূহৰ পঞ্জীয়নৰ ব্যয়।

৩৬। আপীল বোৰ্ডত কৰা এই অধিনিয়মৰ অধীনৰ সকলোবোৰ কাৰ্য্যবাহতে পঞ্জীয়নৰ খৰচ সমূহ বোৰ্ডৰ বিবেচনামতে হব, কিন্তু পঞ্জীয়কক কোনো পক্ষৰ খৰচ আদায় দিবলৈ আদেশ দিব নোৱাৰিব।

## অধ্যায় - VIII

## অপৰাধ, দণ্ড আৰু প্ৰক্ৰিয়া

ভৌগোলিক উপদৰ্শন সমূহ প্ৰয়োগ কৰণৰ অৰ্থ।

৩৭। (১) এজন ব্যক্তিক মালবস্তুবোৰত ভৌগোলিক উপদৰ্শনক প্ৰয়োগ কৰা বুলি গণ্য কৰা হব, যিজনে-

(ক) ইয়াক মালবস্তুবোৰ নিজে প্ৰয়োগ কৰে ; বা

(খ) কোনো পেকেজত বা যিটোৰ লগত মালবস্তুবোৰ বিক্ৰী কৰা হয় বা বিক্ৰী কৰাৰ বাবে প্ৰকট কৰা হয় বিক্ৰীৰ বাবে দখলত আছে বা ব্যৱসায় বা তৈয়াৰকৰণৰ যিকোনো উদ্দেশ্যৰ বাবে প্ৰয়োগ কৰে ;

(গ) যিকোনো মালবস্তু স্থানিত কৰে, সংলগ্ন কৰে বা সংযুক্ত কৰে, বিক্ৰী কৰা হয় বা বিক্ৰীৰ বাবে প্ৰকট কৰা হয় বা বিক্ৰীৰ কাৰণে ব্যৱসায় বা তৈয়াৰ কৰা যিকোনো প্ৰয়োজনাৰ্থে দখলত আছিল কোনো পেকেট বা অন্য বস্তুৰ সৈতে যিবোৰত ভৌগোলিক উপদৰ্শন প্ৰয়োগ কৰা হয় ; বা

(ঘ) যিকোনো ৰীতিত বিশ্বাস জন্মাবলৈ যুক্তিযুক্ত ভাবে ভৌগোলিক উপদৰ্শনৰ ব্যৱহাৰ কৰে যে মালবস্তুবোৰ যিবোৰৰ সম্পৰ্কত ইয়াক ব্যৱহাৰ কৰা হয়, সেই ভৌগোলিক উপদৰ্শনৰ দ্বাৰা পদাভিহিত বা বৰ্ণিত কৰা হয় ; বা

(ঙ) মালবস্তুবোৰৰ ব্যৱহাৰ সম্বন্ধত যিকোনো চিহ্ন, বিজ্ঞাপন, জাননী, মালৰ চালান, বস্তুৰ তালিকা, ব্যৱসায়ৰ চিঠি, ব্যৱসায়ৰ কাগজ পত্ৰ, মূল্যৰ তালিকা বা অন্য বাণিজ্যিক দস্তাবেজ সমূহত এটা ভৌগোলিক উপদৰ্শন ব্যৱহাৰ কৰে আৰু এনেদৰে ব্যৱহৃত ভৌগোলিক উপদৰ্শনৰ কোনো নিৰ্দেশৰ দ্বাৰা মালবস্তুবোৰ এনেভাবে কৰা অনুৰোধ বা আদেশ অনুসৰি এজন ব্যক্তিলৈ পৰিদান কৰা হয়।

২। ভৌগোলিক উপদৰ্শন মালবস্তুসমূহত প্ৰয়োগ কৰা হব বুলি গণ্য কৰা হব, মালবস্তুবোৰ বা কোনো পেকেট বা অন্য বস্তুত বোৱা, মুদ্ৰিত কৰা বা অন্য প্ৰকাৰে পৰিশ্ৰম কৰি, সংলগ্ন কৰি বা আঠা লগাই দিয়া হওঁক বা নহওঁক।

ভৌগোলিক উপদৰ্শন মিথ্যা প্ৰমাণ কৰা আৰু মিছাকৈ প্ৰয়োগ কৰা।

৩৮। (১) এজন ব্যক্তিয়ে ভৌগোলিক উপদৰ্শনক ফাঁকি দিয়া বুলি গণ্য কৰা হব, যিজনে-

(ক) ভৌগোলিক উপদৰ্শনৰ প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ সন্মতি বিনা ভৌগোলিক উপদৰ্শনক ঠগমূলক সদৃশ ভৌগোলিক উপদৰ্শন প্ৰস্তুত কৰে ; বা

(খ) প্ৰকৃত ভৌগোলিক উপদৰ্শনক পৰিৱৰ্তন বা সংযোজন বা বিকৃত কৰি অন্যথা মিছা বুলি প্ৰমাণ কৰে।

(২) এজন ব্যক্তিক এখন ভৌগোলিক উপদৰ্শনৰ মালবস্তুবোৰ মিছাকৈয়ে প্ৰয়োগ কৰা বুলি গণ্য কৰা হব, যিজনে ভৌগোলিক উপদৰ্শন প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ সন্মতি বিনা-

(ক) এনে কোনো মালবস্তু বা মালবস্তু থকা পেকেটত ভৌগোলিক উপদৰ্শন বা ঠগমূলক সদৃশ অন্য ভৌগোলিক উপদৰ্শন প্ৰয়োগ কৰে ;

(খ) ভৌগোলিক উপদৰ্শন থকা কোনো পেকেট যিটো এনে প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ ভৌগোলিক উপদৰ্শনৰ সৈতে পৰ্য্যাপ্ত মিল থাকে বা ঠগমূলক সদৃশ হয়, ভৌগোলিক উপদৰ্শনৰ প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ প্ৰকৃত মালবস্তুবোৰ অন্যথা আন যিকোনো মালবস্তু তাত পেকিং কৰা, পৰিপূৰ্ণ কৰা বা মেৰাই বন্ধাৰ প্ৰয়োজনাৰ্থে ব্যৱহাৰ কৰে।

(৩) উপধাৰা (১)ত উল্লিখিত দৰে মিথ্যা প্ৰমাণিত বা উপধাৰা (২)ত উল্লিখিত কৰা ধৰণে মিছাকৈ প্ৰয়োগ কৰা কোনো ভৌগোলিক উপদৰ্শন এই অধিনিয়মত মিছা ভৌগোলিক উপদৰ্শন হিচাপে নিৰ্দেশিত হব।

(৪) কোনো ভৌগোলিক উপদৰ্শনক মিথ্যা প্ৰমাণিত কৰাৰ বাবে বা এখন ভৌগোলিক উপদৰ্শনক মিছাকৈয়ে প্ৰয়োগ কৰাৰ বাবে কৰা কোনো অভিযোজনত গৰাকীৰ সন্মতি প্ৰমাণ কৰাৰ ভাৰ অভিযুক্তজনৰ ওপৰত থাকিব।

মিথ্যা ভৌগোলিক উপদৰ্শন প্ৰয়োগ কৰাৰ বাবে দণ্ড।

৩৯। কোনো ব্যক্তি, যিজনে-

(ক) কোনো ভৌগোলিক উপদৰ্শনক মিথ্যা প্ৰমাণিত কৰে ; বা

(খ) কোনো ভৌগোলিক উপদৰ্শন মিছাকৈয়ে মালবস্তুবোৰত প্ৰয়োগ কৰা হয় ; বা

(গ) এখন ভৌগোলিক উপদৰ্শন মিথ্যা প্ৰমাণিত কৰাৰ বাবে বা মিছাকৈয়ে ব্যৱহাৰ কৰাৰ বাবে কোনো সাঁচ, ছপাৰ সাঁচ,মেছিন থাল বা অন্য সৰঞ্জাম তৈয়াৰ কৰে, বিক্ৰী কৰে বা তেওঁৰ দখলত ৰাখে ; বা

(ঘ) কোনো মালবস্তু প্ৰয়োগ কৰে যিবোৰত দেশৰ বা স্থানৰ উপদৰ্শন য'ত তেওঁলোকে তৈয়াৰ কৰে বা উৎপাদন কৰে বা তৈয়াৰকাৰীৰ নাম আৰু ঠিকনা বা ব্যক্তি যাৰ বাবে মালবস্তুবোৰ তৈয়াৰ কৰে, এনে দেশ, স্থান, নাম বা ঠিকনাৰ এটা মিছা প্ৰকাশকৰণৰ বাবে ধাৰা ৭১ৰ অধীনত এখন আবেদন কৰাৰ বাবে অপেক্ষিত হব ; বা

(ঙ) মূল উপদৰ্শনৰ গোপন হস্তক্ষেপ পৰিৱৰ্ত্তন বা বিকৃত কৰে যিটো কোনো মালবস্তুত প্ৰয়োগ কৰা হয়, যিবোৰত ধাৰা ৭১ৰ অধীনত আবেদন কৰাৰ অপেক্ষিত হব ; বা

(চ) এই ধাৰাত উল্লিখিত বিষয়ৰ সমূহৰ যিকোনোটোক কৰিবলৈ কাৰিত কৰে, তেওঁ প্ৰতাৰণা কৰিবলৈ অভিপ্ৰায় বিনা কাৰ্য্য কৰিছিল বুলি তেওঁ প্ৰমাণ নকৰা পৰ্য্যন্ত ছয়মাহৰ কম নোহোৱা কাৰাবাসেৰে কিন্তু যিটো তিনি বছৰলৈ বৃদ্ধি হব পাৰে আৰু পঞ্চাশ হাজাৰ টকাৰ কম নোহোৱা কিন্তু যিটো দুই লাখ টকালৈ বৃদ্ধি হব পাৰে, জৰিমনাৰে দণ্ডনীয় হব ঃ

পৰন্তু ন্যায়ালয়ে, নিৰ্ণয়ত উল্লিখিত কৰিবলগা যথোচিত আৰু বিশেষ কাৰণসমূহৰ বাবে ছয় মাহতকৈ কম হোৱা এটা সময়ৰ কাৰাবাসেৰে বা পঞ্চাশ হেজাৰ টকাতকৈ কম হোৱা জৰিমনাৰে দণ্ড আৰোপ কৰিব পাৰে।

মালবস্তু বিক্ৰী কৰাৰ বাবে দণ্ড যিটোৰ ওপৰত মিথ্যা ভৌগোলিক উপদৰ্শন প্ৰয়োগ কৰা হয়।

৪০। কোনো ব্যক্তি যিজনে বিক্ৰী কৰে, ভাড়া দিয়ে বা বিক্ৰী বা ভাড়াৰ বাবে মুকলি কৰি দিয়ে, বিক্ৰীৰ বাবে মালসমূহ বা বস্তুবোৰ তেওঁৰ দখলত ৰাখে, যিবোৰত কোনো মিথ্যা ভৌগোলিক উপদৰ্শন প্ৰয়োগ কৰা হয় বা ধাৰা ৭১ৰ অধীনত আৱশ্যক হয়, য'ত তেওঁলোকে তৈয়াৰ কৰে বা উৎপন্ন কৰে, সেইবোৰলৈ দেশ বা স্থানৰ এখন উপদৰ্শন প্ৰয়োগ কৰা হব বা প্ৰস্তুতকাৰী বা ব্যক্তিৰ নাম আৰু ঠিকনা যি সকল ব্যক্তিৰ বাবে মালবস্তুবোৰ তৈয়াৰ কৰা হয়, যদিহে তেওঁ প্ৰমাণ নকৰে-

(ক) যে এই ধাৰাৰ বিৰুদ্ধে এটা অপৰাধ সংঘটিত হোৱাৰ বিপৰীতে লোৱা সকলোবোৰ সতৰ্কতা অভিযোগ কৰা অপৰাধ সংঘটনৰ সময়ত তেওঁৰ আদেশ ভৌগোলিক উপদৰ্শনৰ বা মালবস্তুবোৰৰ সম্পৰ্কত কোনো অপৰাধ সংঘটিত কৰা হৈছে, সন্দেহ কৰিবলৈ কোনো কাৰণ নাই ; বা

(খ) যে অভিযোজকৰ দ্বাৰা বা হকে কৰা কোনো দাবীৰ ওপৰত ব্যক্তিজনৰ সম্পৰ্কে তেওঁৰ ক্ষমতাত থকা সকলোবোৰ তথ্য দিব, যি সকলৰ পৰা এনে মাল বা বস্তুবোৰ লাভ কৰা হৈছে, বা

(গ) যে অন্যথা তেওঁ নিৰ্দ্দোষী ভাবে কাম কৰিছে, তেওঁ কাৰাবাসেৰে যিটো ছয় মাহৰ অধিক নহব কিন্তু যিটো তিনি বছৰলৈকে বৰ্দ্ধিত কৰিব পাৰে আৰু জৰিমনাৰে যিটো পঞ্চাশ হাজাৰ টকাৰ অধিক নহব, কিন্তু যিটো দুই লাখ টকালৈকে বৰ্দ্ধিত কৰিব পাৰে, দণ্ডনীয় হব ঃ

পৰন্তু ন্যায়ালয়ে নিৰ্ণয়কৰণত উল্লেখ কৰিব লগা যথোচিত আৰু বিশেষ কাৰণৰ বাবে ছয় মাহতকৈ কম হোৱা এটা সময়ৰ কাৰাবাস বা পঞ্চাশ হাজাৰতকৈ কম হোৱা জৰিমনাৰে দণ্ড আৰোপ কৰিব পাৰে।

দ্বিতীয় বা পিচৰ অপৰাধৰ বাবে বৰ্দ্ধিত শাস্তি।

৪১। যিজনেই ধাৰা ৩৯ বা ধাৰা ৪০ৰ অধীনত এটা অপৰাধৰ বাবে ইতিমধ্যে দোষী সাব্যস্ত হৈছে এনে কোনো অপৰাধৰ বাবে পুনৰ দোষী সাব্যস্ত হয় তেন্তে দ্বিতীয় আৰু পিচৰ প্ৰতিটো অপৰাধৰ বাবে এনে কালৰ কাৰাবাসেৰে যিটো এক বছৰৰ কম নহব, কিন্তু যিটো তিনি বছৰলৈকে বৰ্দ্ধিত হব পাৰে আৰু জৰিমনাৰে যিটো এক লাখ টকাৰ কম নহব, কিন্তু যিটো দুই লাখ টকাতকৈ বৰ্দ্ধিত হব পাৰে, দণ্ডনীয় হব ঃ

পৰন্তু ন্যায়ালয়ে নির্ণয়কৰণত উল্লেখ কৰিব লগা যথোচিত আৰু বিশেষ কাৰণ সমূহৰ বাবে এক বছৰতকৈ কম হোৱা কালৰ কাৰাবাসেৰে বা জৰিমনা যিটো একলাখ টকাকৈ কম হয় দণ্ড আৰোপ কৰিব পাৰে ঃ

উপৰন্তু এই ধাৰাৰ প্ৰয়োজনার্থে এই অধিনিয়মৰ আৰম্ভণিৰ আগতে কৰা কোনো দোষী সাব্যস্তকৰণৰ বাবে সংজ্ঞান লোৱা নহব।

**ভৌগোলিক উপদৰ্শন পঞ্জীভুক্ত হোৱাবুলি মিছাকৈয়ে নিবেদন কৰাৰ বাবে দণ্ড।**

৪২। (১) কোনো ব্যক্তিয়ে যি কোনো নিবেদন কৰিব নোৱাৰিব-

(ক) পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শন নোহোৱা এখন ভৌগোলিক উপদৰ্শনৰ সম্পৰ্কত যে এইখন পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শন ; বা

(খ) এখন পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শন কোনো মালবস্তুৰ সম্পৰ্কত পঞ্জীভুক্ত কৰা হয় যিটোৰ সম্পৰ্কত ই প্ৰকৃততে পঞ্জীভুক্ত নহয় ;

(গ) ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নে যিকোনো পৰিস্থিতিতে ইয়াৰ ব্যৱহাৰত অনন্য ক্ষমতাসমূহ দিয়ে যিবোৰ পঞ্জীত প্ৰবিষ্ট হোৱা পৰিসীমা লক্ষ্য ৰাখি পঞ্জীয়নে প্ৰকৃততে তেনে স্বত্ব নিদিয়ে।

(২) যদি কোনো ব্যক্তিয়ে উপধাৰা (১)ৰ কোনো উপবন্ধ উলঙ্ঘা কৰে তেওঁ তিনি বছৰলৈ বৃদ্ধি হব পৰা কালৰ কাৰাবাসেৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডনীয় হব।

(৩) এই ধাৰাৰ উদ্দেশ্যে ভাৰতত ব্যৱহৃত ভৌগোলিক উপদৰ্শনৰ সম্বন্ধত ''পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শন'' শব্দ কেইটা বা ''আৰ, জি আই''ৰ নিচিনা অন্য কোনো উক্তি, প্ৰতীক বা চিহ্ন পঞ্জীয়নত স্পষ্ট ৰূপেই হওঁক বা প্ৰকাৰান্তৰেই হওঁক উল্লিখিত হোৱা নিম্নলিখিত সমূহৰ ব্যতিৰেকে পঞ্জীয়নত, পঞ্জীভুক্ত কৰিবলৈ এটা নিৰ্দেশ হিচাপে আমদানি কৰা বুলি গণ্য কৰা হব।

(ক) য'ত উক্ত শব্দ বা অন্য উক্তি প্ৰতীক বা চিহ্ন অন্য শব্দৰ লগত অন্তত সেইবোৰৰ নিচিনা ডাঙৰ কৈ হাতৰ আখৰত ব্যৱহাৰ কৰা হব, য'ত উক্ত শব্দ বা অন্য উক্তি, প্ৰতীক বা চিহ্ন অঙ্কিত কৰি প্ৰকাশ কৰা হয় যে উক্ত উল্লেখকৰণ ভাৰতৰ বাহিৰৰ এখন দেশৰ বিধিৰ অধীনত ভৌগোলিক উপদৰ্শন হিচাপে পঞ্জীভুক্ত কৰিবলৈ বিধিৰ অধীনত এখন দেশ হয়, যিটো পঞ্জীয়নকৰণত উল্লেখ কৰিব ;

(খ) য'ত ইয়াৰ অন্য অভিব্যক্তি প্ৰতীক বা চিহ্নই এনেদৰে দেখুৱায় যে খণ্ড (ক)ত উল্লিখিত কৰা ধৰণে এনে নিৰ্দেশ এনে পঞ্জীয়নত হয় ; বা

(গ) য'ত ভাৰতৰ বাহিৰৰ এখন দেশৰ বিধিৰ অধীনত পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ সন্বন্ধত আৰু সেই দেশত ব্যৱহাৰৰ কাৰণে সেই দেশলৈ ৰপ্তানি কৰিব লগা বা মালবস্তুৰ সম্বন্ধত ব্যৱহৃত হয়।

**ভৌগোলিক উপদৰ্শন পঞ্জীয়ন সম্পৰ্কত ব্যবসায়ৰ স্থান অনুচিত ভাবে বৰ্ণনা কৰাৰ বাবে দণ্ড।**

৪৩। যদি কোনো ব্যক্তিয়ে তেওঁৰ ব্যৱসায়ৰ স্থান বা তেওঁৰ দ্বাৰা প্ৰেৰণ কৰা কোনো দস্তাৱেজ বা অন্যথা শব্দসমূহ যিবোৰে যুক্তিসঙ্গতভাবে বিশ্বাস আনে যে তেওঁৰ ব্যৱসায়ৰ স্থান বা ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নকৰণৰ সৈতে চৰকাৰী ভাবে সম্পৰ্কিত হয় তেওঁ দুই বছৰ লৈকে বৰ্দ্ধিত হব পৰা কালৰ কাৰাবাসেৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডনীয় হব।

**পঞ্জীত প্ৰবিষ্টি সমূহ জালকৰণৰ বাবে দণ্ড।**

৪৪। যদি কোনো ব্যক্তিয়ে, পঞ্জীত মিছা প্ৰবিষ্টি প্ৰস্তুত কৰে বা প্ৰস্তুত কৰাৰ কাৰণ হয় বা মিছাকৈয়ে লিখিত ভাবে পঞ্জীত প্ৰবিষ্টিৰ এটা প্ৰতিলিপি অৰ্থ কৰে বা প্ৰবিষ্টিটো বা লিখনিসমূহ মিছা বুলি জানিও এনে কোনো লিখনি সাক্ষীত পেচ কৰে বা নিবিদা দিয়ে বা পেচ কৰা বা নিবিদা দিয়াৰ কাৰণ হয়, তেওঁ যিটো দুই বছৰলৈ হব পৰা কালৰ কাৰাবাসেৰে জৰিমনা বা উভয়েৰে দণ্ডনীয় হব।

**কিছুমান গোচৰত অপৰাধ নহব।**

৪৫। পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ বা প্ৰাধিকৃত ব্যৱহাৰকাৰীৰ বা এনে ভৌগোলিক উপদৰ্শনৰ সন্বন্ধত ধাৰা ৩৯,৪০ আৰু ৪১ৰ উপবন্ধসমূহ এই অধিনিয়মৰ দ্বাৰা সৃষ্টি কৰা ক্ষমতা বা প্ৰদান কৰা মান্যতাৰ বিষয়ত আৰু কোনো কাৰ্য্য বা ক্ৰটী পূৰ্ব্বোক্ত ধাৰাসমূহৰ অধীনত অপৰাধ বুলি গণ্য কৰা নহব যদি,-

(ক) অভিযুক্ত অপৰাধটো আৰু এই অধিনিয়মৰ অধীনত অনুমোদিত কাৰ্য্য বা ক্ৰটী পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ লগত সম্বন্ধিত হয় ;

(খ) অভিযুক্ত অপৰাধটো আৰু সম্প্ৰতি বলবৎ থকা অন্য কোনো বিধিৰ অধীনত অনুমোদিত কাৰ্য্য বা ক্ৰটী, পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ লগত সম্বন্ধিত হয় ।

মালবস্তুৰ বাজেয়াপ্ত কৰণ ।

৪৬। (১) য'ত এজন ব্যক্তিক ধাৰা ৩৯ বা ধাৰা ৪০ বা ধাৰা ৪১ৰ অধীনত এটা অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হয় বা তেওঁ অনভিপ্ৰেত বা প্ৰবঞ্চনা বিহীনভাৱে কাম কৰাটো প্ৰমাণিত হোৱাৰ পাচত ধাৰা ৩৯ বা ধাৰা ৪০ৰ অধীনত খালাচ দিয়া হয় বা ধাৰা ৪০ৰ অধীনত উক্ত ধাৰাৰ খণ্ড (ক) বা খণ্ড (খ) বা খণ্ড (গ)ৰ অধীনত বিনিৰ্দিষ্ট বিষয়সমূহ প্ৰমাণিত হোৱাৰ পাচত ন্যায়ালয়ে তেওঁক দোষী সাব্যস্ত কৰি বা খালাচ দি চৰকাৰলৈ সকলো মালবস্তু বা বিষয় বাজেয়াপ্ত কৰাৰ নিৰ্দেশ দিব পাৰে যিবোৰৰ সম্বন্ধত বা দ্বাৰা অপৰাধটো সংঘটিত হৈছিল,কিন্তু পূৰ্ব্বোক্ত দৰে এনে প্ৰমাণৰ বাবে সংঘটিত হ'লহেতেন ।

(২) যেতিয়া দোষী সাব্যস্তকৰণৰ ওপৰত বাজেয়াপ্তকৰণৰ নিৰ্দেশ দিয়া হয় আৰু দোষী সাব্যস্ত কৰণৰ বিৰুদ্ধে আপীল চলোৱা হয়, বাজেয়াপ্তকৰণৰ বিৰুদ্ধে আপীল চলিব ।

(৩) যেতিয়া খালাচৰ ওপৰত বাজেয়াপ্তকৰণৰ নিৰ্দেশ দিয়া হয় আৰু মালবস্তু বা বিষয় যিটোৰ লগত নিৰ্দেশটো সম্পৰ্কিত সেইবোৰৰ মূল্য পঞ্চাশ টকাৰ অধিক হয়, নিৰ্দেশনাৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত বাজেয়াপ্তকৰণৰ বিৰুদ্ধে আপীল ন্যায়ালয়ত গ্ৰহণ কৰিব পাৰি যিবোৰ আপীলযোগ্য গোচৰত ন্যায়ালয়ৰ দণ্ডাদেশৰ বিৰুদ্ধে আপীল চলে যি ন্যায়ালয়ে বাজেয়াপ্তকৰণত নিৰ্দেশ দিছিল ।

(৪) যেতিয়া এটা দোষী সাব্যস্তকৰণৰ ওপৰত বাজেয়াপ্তকৰণৰ নিৰ্দেশ দিয়া হয় ন্যায়ালয় যাৰ আগত ব্যক্তিজনক দোষীসাব্যস্ত কৰা হৈছিল ন্যায়ালয়ে উচিত বুলি ভবা মতে কোনো বাজেয়াপ্ত সা-সম্পত্তি ধ্বংস হোৱা বুলি বা অন্যথা ৰখা হোৱা বুলি আদেশ দিব পাৰে ।

ব্যৱসায়ত সাধাৰণভাৱে নিয়োজিত কিছুমান ব্যক্তিৰ ৰেহাই ।

৪৭। য'ত ধাৰা ৩৯ৰ অধীনত অপৰাধত অভিযুক্ত এজন ব্যক্তিয়ে প্ৰমাণ কৰে যে-

(ক) ভৌগোলিক উপদৰ্শনত প্ৰয়োগ কৰিবলৈ তেওঁৰ বা ক্ষেত্ৰবিশেষে নোহোৱা কৰিবলৈ প্ৰতিবন্ধক সমূহ, যন্ত্ৰপাতিসমূহ, প্লেটসমূহ বা তৈয়াৰ কৰাৰ বাবে অন্য সা-সঁজুলি বা ভৌগোলিক উপদৰ্শন তৈয়াৰ কৰণ বা ব্যৱহাৰ হোৱা অন্য ব্যক্তিসমূহৰ হকে তেওঁক সাধাৰণ ভাৱে নিয়োজিত কৰা হয় ;

(খ) যে গোচৰত যিবোৰ অভিযোগ সাপেক্ষে হয় তেওঁক এনেদৰে নিয়োজিত কৰা হৈছিল আৰু এনে মালবস্তুবোৰৰ বিক্ৰীৰ ওপৰত নিৰ্ভৰ কৰা লাভ বা কমিচনৰ দৰে অন্য বিষয় বা বস্তুৰ স্বাৰ্থজড়িত নহয়;

(গ) যে অভিযুক্ত অপৰাধ সংঘটনৰ সময়ত অপৰাধ সংঘটনৰ বিৰুদ্ধে সকলো যুক্তিযুক্ত সাৱধানতা যে তেওঁ গ্ৰহন কৰিছিল ভৌগোলিক উপদৰ্শনৰ যথাৰ্থতাৰ ওপৰত সন্দেহ কৰিবলৈ কোনো কাৰণ নাই ;

(ঘ) গোচৰীয়াৰ দ্বাৰা বা হকে দাবীৰ ওপৰত তেওঁ ব্যক্তিজনৰ যিজনৰ হকে ভৌগোলিক উপদৰ্শনটো প্ৰয়োগ কৰা হৈছিল সেইজনৰ সম্পৰ্কে তেওঁৰ ক্ষমতাৰ সকলোবোৰ সম্ভেদ দিছিল ;

তেওঁক দোষমুক্ত কৰা হ'ব ।

প্ৰক্ৰিয়া, য'ত অপৰাধীৰ দ্বাৰা পঞ্জীয়নৰ অবৈধতা প্ৰতিবাদ কৰা হয় ।

৪৮। (১) য'ত পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ সম্বন্ধত ধাৰা ৩৯ৰ বা ধাৰা ৪০ বা ধাৰা ৪১ৰ অধীনত অভিযুক্ত কৰা হয় আৰু অপৰাধকাৰীয়ে ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নকৰণটো অবৈধ হোৱা বুলি প্ৰতিবাদ কৰে, নিম্নলিখিত প্ৰক্ৰিয়া অনুসৰণ কৰা হ'ব ।

(ক) যদি ন্যায়ালয় সন্তুষ্ট হয় যে এনে প্ৰতিবাদ সুস্পষ্টভাৱে গ্ৰহন যোগ্য নহয় অভিযোগত অগ্ৰসৰ নহ'ব, কিন্তু এনে তাৰিখৰ পৰা, যিটো তাৰিখত অপৰাধীৰ প্ৰতিবাদটো লিপিবদ্ধ কৰা হয়, সেই তাৰিখৰ পৰা

তিনিমাহৰ বাবে কাৰ্য্যবাহ স্থগিত ৰাখিব আৰু পঞ্জীয়নকৰণটোৰ ওপৰত পঞ্জীয়কৰ পৰিশোধনৰ বাবে, এই অধিনিয়মৰ অধীনত আপীল বোৰ্ডলৈ এখন আবেদন পত্ৰ দাখিল কৰিবলৈ অপৰাধীজন সমৰ্থবান হব ;

(খ) যদি অপৰাধীয়ে ন্যায়ালয়ত প্ৰমাণ কৰিব পাৰে যে তেওঁ এনে আবেদনখন এনেদৰে নিৰ্দ্ধাৰিত কৰা সময়ৰ ভিতৰত দাখিল কৰিব পাৰিব বা এনে অতিৰিক্ত সময়ৰ ভিতৰত যিদৰে ন্যায়ালয়ে উপযুক্ত কাৰণৰ বাবে অনুমতি দিয়ে, পৰিশোধনৰ কাৰণে এনে আবেদন নিস্পত্তি নোহোৱালৈকে অভিযোগকৰণত অতিৰিক্ত কাৰ্য্যবাহ স্থগিত ৰখা হব ;

(গ) যদি তিনিমাহ সময়ৰ ভিতৰত বা ন্যায়ালয়ে অনুমতি দিব পৰা দৰে এনে অতিৰিক্ত সময়ৰ ভিতৰত অপৰাধীয়ে পঞ্জীৰ পৰিশোধনৰ কাৰণে আপীল বোৰ্ডলৈ আপীল কৰিবলৈ অসমৰ্থ হয়, ন্যায়ালয়ত গোচৰটোত এনে দৰে অগ্ৰসৰ হব যেনিবা পঞ্জীখন বৈধ হয়।

(২) য'ত উপধাৰা (১)ত উল্লিখিত অপৰাধৰ অভিযোগ নামা দাখিল কৰাৰ আগতেই প্ৰশ্নগত ভৌগোলিক উপদৰ্শনৰ সম্পৰ্কত পঞ্জীয়নৰ পৰিশোধনৰ কাৰণে কোনো আবেদন ইয়াৰ পঞ্জীয়নকৰণৰ অবৈধতাৰ বাবে ইতিমধ্যে সঠিক ভাৱে কৰা হৈছে আৰু ন্যায়াধিকৰণৰ আগত বিচৰাধীন হৈ আছে, তেনে ক্ষেত্ৰত ন্যায়ালয়ে পূৰ্ব্বোক্ত আবেদনখনৰ নিস্পত্তি অমীমাংসিত হৈ থকা অৱস্থাত অভিযোগকৰণত অতিৰিক্ত কাৰ্য্যবাহ স্থগিত ৰাখিব আৰু যিমানদূৰ আবেদনকাৰীয়ে তেওঁৰ ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নকৰণৰ ওপৰত আস্থা ৰাখি পৰিশোধনৰ কাৰণে কৰা আবেদনৰ ফলাফল বাহাল ৰাখি অপৰাধীৰ বিৰুদ্ধে অভিযোগ স্থিৰ কৰিব ।

কোম্পানীবোৰৰ দ্বাৰা কৰা অপৰাধ সমূহ।

৪৯। (১) যদি এই অধিনিয়মৰ অধীনত অপৰাধ সংঘটিত কৰা ব্যক্তিজন এটা কোম্পানী হয়, তেন্তে কোম্পানীটো আৰু লগতে দায়িত্বত থকা সকলো ব্যক্তিয়েই অপৰাধটো সংঘটিত হোৱাৰ সময়ত কোম্পানীৰ ব্যৱসায় পৰিচালনা কৰাৰ বাবে দায়বদ্ধ হব আৰু অপৰাধটোৰ বাবে দোষী বুলি গণ্য কৰা হব আৰু ইয়াৰ বিৰুদ্ধে কাৰ্য্যবাহলৈ জগৰীয়া হব আৰু তদনুসাৰে দণ্ডিত হবঃ

পৰন্তু এই উপধাৰাত থকা কোনো কথাই এনে কোনো ব্যক্তিক কোনো দণ্ড নিদিব যদি তেওঁ প্ৰমাণ কৰিব পাৰে যে অপৰাধটো তেওঁ নজনাকৈয়ে সংঘটিত হৈছিল বা এনে অপৰাধ সংঘটিত হোৱাত বাধা দিবলৈ তেওঁ লবলগীয়া সকলো সম্যক তৎপৰতা অৱলম্বন কৰিছিল।

(২) উপধাৰা (১)ত কোনো কথা থকা স্বত্বেও য'ত এই অধিনিয়মৰ অধীনত এটা অপৰাধ এটা কোম্পানীৰ দ্বাৰা সংঘটিত হয় আৰু এইটো প্ৰমাণিত কৰা হল যে অপৰাধটো সম্মতিসহ বা অৱহেলাৰে সংঘটিত হৈছিল বা অপৰাধৰ সংঘটন কোম্পানীৰ কোনো সঞ্চালক, পৰিচালক, সচিব বা পদাধিকাৰীসকলৰ কোনো সম্মতি বা মৌন সম্মতিত সংঘটিত হৈছিল, তেন্তে এনে সঞ্চালক, পৰিচালক, সচিব বা অন্য পদাধিকাৰী উক্ত অপৰাধটোৰ বাবে দোষী বুলি গণ্য কৰা হব আৰু তাৰ বিৰুদ্ধে কাৰ্য্যবাহৰ বাবে দায়ী হব আৰু তদনুসাৰে দণ্ডিত হব।

**স্পষ্টীকৰণ**- এই ধাৰাৰ প্ৰয়োজনাৰ্থে-

(ক) ''কোম্পানী'' মানে কোনো নিগমিত নিকায় আৰু ই কোনো ফাৰ্ম বা অন্য ব্যক্তিগত সংগঠন অন্তৰ্ভুক্ত কৰে ;

(খ) এখন ফাৰ্মৰ সম্বন্ধত ''সঞ্চালক'' মানে, ফাৰ্মৰ এজন ভাগীদাৰ ।

কেতবোৰ অপৰাধৰ সংজ্ঞান আৰু তালাচী আৰু অভিগ্ৰহনৰ বাবে আৰক্ষী পদাধিকাৰীৰ ক্ষমতা।

৫০। (১) পঞ্জীয়ক বা তেওঁৰ দ্বাৰা লিখিত ভাবে প্ৰাধিকৃত কৰা কোনো পদাধিকাৰীৰ ব্যতিৰেকে কোনো ন্যায়ালয়েই ধাৰা ৪২ বা ধাৰা ৪৩ বা ধাৰা ৪৪ৰ অধীনত এটা অপৰাধৰ সংজ্ঞান লব নোৱাৰিব ঃ

পৰন্তু ধাৰা ৪২ৰ উপধাৰা (১)ৰ খণ্ড (খ)ৰ সম্বন্ধত পঞ্জীয়কৰ দ্বাৰা প্ৰেৰণ কৰা এখন প্ৰমাণ পত্ৰৰ ভিত্তিত এখন ন্যায়ালয়ে এটা অপৰাধৰ সংজ্ঞান লব পাৰিব, য'ত কোনো মালবস্তুৰ সম্পৰ্কে যিটোৰ সম্পৰ্কে

প্ৰকৃততে পঞ্জীভুক্ত নহয় সেইটো পঞ্জীভুক্ত হোৱা বুলি এখন পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনক নিবেদিত কৰা হৈছে।

(২) এই অধিনিয়মৰ অধীনত মহানগৰ দণ্ডাধীশ বা প্ৰথম শ্ৰেণীৰ এজন ন্যায়িক দণ্ডাধীশৰ নিম্নতম কোনো ন্যায়ালয়ে অপৰাধৰ বিচাৰ কৰিব নোৱাৰিব।

(৩) ধাৰা ৩৯ বা ধাৰা ৪০ বা ধাৰা ৪১ৰ অধীনৰ অপৰাধসমূহ সংজ্ঞেয় হয়।

(৪) আৰক্ষী উপ-অধীক্ষকৰ পদমৰ্য্যদাৰ বা সমপৰ্য্যায়ৰ পদমৰ্য্যদাতকৈ নিম্নতম নোহোৱা কোনো আৰক্ষী পদাধিকাৰীয়ে যদি সন্তুষ্ট হয় যে উপধাৰা (৩)ত উল্লিখিত যিকোনো অপৰাধ সংঘটিত হৈছে বা হৈ আছে বা হোৱাৰ সম্ভাৱনা আছে তেন্তে অপৰাধ সংঘটনৰ লগত জড়িত থকা, মালবস্তুবোৰৰ ৰংবোৰ প্ৰতিবন্ধকবোৰ, যন্ত্ৰপাতিবোৰ, প্লেটবোৰ বা অন্য সা-সজুলি বা বস্তুবোৰ য'তে পোৱা যায় গ্ৰেপ্তাৰী পৰোৱানা বিনা তালাচী কৰিব বা অভিগ্ৰহণ কৰিব পাৰে আৰু এনেদৰে অভিগ্ৰহণ কৰা সকলোবোৰ বস্তু যথাসাধ্য এজন প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ আগত বা এজন মহানগৰ দণ্ডাধীশৰ আগত উত্থাপন কৰিব লাগিব ঃ

পৰন্তু আৰক্ষী পদাধিকাৰীয়ে কোনো তালাচী আৰু অভিগ্ৰহণ কৰাৰ আগতেই ভৌগোলিক উপদৰ্শনৰ লগত সম্বন্ধিত অপৰাধৰ লগত জড়িত তথ্যসমূহৰ ওপৰত পঞ্জীয়কৰ মত লব আৰু এনে দৰে পোৱা মত মানি চলিব।

(৫) উপধাৰা (৪)ৰ অধীনত অভিগ্ৰহণ কৰা কোনো সম্পত্তিৰ লগত স্বাৰ্থ জড়িত থকা কোনো ব্যক্তিয়েই এনেদৰে অভিগ্ৰহণ কৰাৰ পৰা পোন্ধৰ দিনৰ ভিতৰত উক্ত এজন প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ বা ক্ষেত্ৰ বিশেষে এজন মহানগৰ দণ্ডাধীশৰ আগত এনে সম্পত্তি পুনৰাই তেওঁক বাহাল ৰখাৰ কাৰণে এখন আবেদন কৰিব পাৰে আৰু দণ্ডাধীশে আবেদনখন আৰু অভিযোজন শুনাৰ পাচত আবেদনখনৰ ওপৰত, তেওঁ উচিত বুলি গণ্য কৰা দৰে এনে আদেশ কৰিব পাৰিব।

অভিযোজনৰ প্ৰতিবাদৰ খৰছ।

৫১। এই অধিনিয়মৰ অধীনত কোনো অভিযোজনত ন্যায়ালয়ে, প্ৰতিবাদীৰ দ্বাৰা আবেদনকাৰীলৈ বা আবেদনকাৰীৰ দ্বাৰা প্ৰতিবাদীলৈ এনে খৰচ আদায় দিয়াব পাৰে, যিদৰে ন্যায়ালয়ে গোচৰৰ সকলো পৰিস্থিতিৰ সম্পৰ্কত যুক্তিসঙ্গত হব বুলি গণ্য কৰে আৰু পক্ষগণৰ পৰিচালনা আৰু এনেদৰে অধিনিৰ্মিত ব্যয়সমূহ আদায় যোগ্য হব যেনিবা সেইবোৰ জৰিমনাহে।

অভিযোজনৰ পৰিসীমা।

৫২। এই অধিনিয়মৰ অধীনত এটা অপৰাধৰ বাবে কোনো অভিযোজন অপৰাধ সংঘটিত হোৱাৰ কাৰণত গোচৰ আৰম্ভ হোৱাৰ তিনি বছৰ অৱসানৰ পাচত বা আবেদনকাৰীৰ দ্বাৰা ইয়াৰ সন্ধান পোৱাৰ দুই বছৰৰ পাচত যিটোৱে প্ৰথমে ঘটে, আৰম্ভ কৰা নহব।

অপৰাধ সংঘটনৰ বিষয়ে তথ্য।

৫৩। চৰকাৰৰ এজন পদাধিকাৰীয়ে যিজনৰ, এই অধ্যায়ৰ উপবন্ধসমূহৰ বলবৎকৰণত অংশ গ্ৰহন কৰিবলৈ দায়িত্ব থাকে, তেওঁক এই অধিনিয়মৰ বিৰুদ্ধে কোনো অপৰাধ সংঘটনৰ বিষয়ে তেওঁ কোনো তথ্য পোৱাত, ন্যায়ালয়ত কোনো কথা কবলৈ বাধ্য কৰাব নোৱাৰিব।

ভাৰতৰ বাহিৰৰ পৰা কৰা কাৰ্য্যসমূহৰ ভাৰতত অপপ্ৰেৰণা দিয়াৰ বাবে দণ্ড।

৫৪। যদি কোনো ব্যঁক্তি ভাৰতৰ ভিতৰত হৈ ভাৰতৰ বাহিৰৰ পৰা কোনো কাৰ্য্যৰ সংঘটনত অপপ্ৰেৰণা দিয়ে, যদি ভাৰতৰ ভিতৰত যিটো সংঘটিত কৰে, এই অধিনিয়মৰ অধীনত এটা অপৰাধ হব, তেওঁক এনে অপপ্ৰেৰণাৰ বাবে ভাৰতৰ যিকোনো ঠাইত তেওঁক বিচাৰ কৰিব পাৰিব আৰু য'ত তেওঁক পোৱা যায়, তেওঁ তাৰবাবে দণ্ডৰে দণ্ডিত হব যিটোৰ বাবে তেওঁ দায়ী হয় যদি তেওঁ নিজে সেই ঠাইত সংঘটিত কৰিছিল যি কাৰ্য্যত তেওঁ অপপ্ৰেৰণা দিছিল।

## অধ্যায় IX

### বিবিধ

সৰল বিশ্বাসত লোৱা কাৰ্য্যৰ সুৰক্ষা।

৫৫। এই অধিনিয়ম অনুসৰি কোনো ব্যক্তিৰ বিৰুদ্ধে কোনো কাৰ্য্যৰ সম্পৰ্কত যিটো সৰল বিশ্বাসত কৰে বা কৰা বুলি অভিপ্ৰেত হয়, কোনো বাদ বা অন্য বিধিক কাৰ্য্যবাহ নচলিব।

কিছুমান ব্যক্তি লোকসেৱক হব। ১৮৬০ ৰ ৪৫

৫৬। এই অধিনিয়মৰ অধীনত নিয়োজিত প্ৰত্যেকজন ব্যক্তিক ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থ অনুসৰি লোকসেৱক বুলি গণ্য কৰা হব।

য'ত ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়ন কৰণৰ বৈধতাৰ প্ৰশ্ন উঠে, কাৰ্য্যবাহ সমূহ স্থগিত ৰখা হব।

৫৭। (১) য'ত ভৌগোলিক উপদৰ্শনৰ অতিলঙ্ঘন কৰাৰ বাবে কৰা কোনো বাদত বিবাদীয়ে প্ৰতিবাদ কৰে যে বাদীৰ সম্বন্ধত ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়ন অবৈধ, বাদ বিচাৰ কৰা ন্যায়ালয়ে, (ইয়াৰ পাচত ইয়াত ন্যায়ালয় হিচাপে নিৰ্দেশিত)-

(ক) যদি বাদীৰ বা বিবাদীৰ সম্বন্ধত ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়ন পৰিশোধনৰ বাবে কোনো কাৰ্য্যবাহ পঞ্জীয়ক বা আপীল বোৰ্ডৰ আগত বিচৰাধীন হৈ থাকে, এনে কাৰ্য্যবাহৰ চূড়ান্ত সিদ্ধান্তৰ বাবে বিচৰাধীন হৈ থকা গোচৰটো স্থগিত ৰাখিব ;

(খ) যদি এনে কোনো কাৰ্যবাহ বিচৰাধীন হৈ নাথাকে আৰু ন্যায়ালয় সন্তুষ্ট হয় যে বাদীৰ বা বিবাদীৰ সম্বন্ধত ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নৰ অবৈধতাৰ সম্পৰ্কে কৰা প্ৰতিবাদ আদিতে বিধি মতে গ্ৰহন যোগ্য নহয়, সেইটোৰ সম্বন্ধত এটা বিষয় উত্তৰ হব আৰু পঞ্জীৰ পৰিশোধনৰ কাৰণে আপীল বোৰ্ডলৈ আবেদন কৰিবলৈ সংশ্লিষ্ট পক্ষৰ সমৰ্থবান কৰিবলৈ বিষয়টো দাখিল কৰা তাৰিখৰ পৰা তিনি মাহৰ বাবে গোচৰটো স্থগিত ৰাখিব।

(২) যদি সংশ্লিষ্ট পক্ষটোৱে ন্যায়ালয়ত প্ৰমাণ কৰিব পাৰে যে উপধাৰা (১)ৰ খণ্ড (খ)ত নিৰ্দেশিত কৰা ধৰণেৰে ইয়াত বিনিৰ্দিষ্ট কৰা সময়ৰ ভিতৰত বা ন্যায়ালয়ে উপযুক্ত কাৰণৰ বাবে অনুমতি দিয়া ধৰণেৰে এনে বৰ্দ্ধিত সময়ৰ ভিতৰত তেওঁ এনে কোনো আবেদন কৰিছে তেন্তে পৰিশোধন কাৰ্য্যবাহটোৰ চূড়ান্ত নিষ্পত্তি নোহোৱালৈকে গোচৰটোৰ বিচাৰ স্থগিত ৰাখিব।

(৩) যদি বিনিৰ্দিষ্ট কৰা সময়ৰ ভিতৰত বা ন্যায়ালয়ে অনুমতি দিয়া ধৰণে এনে বৰ্দ্ধিত সময়ৰ ভিতৰত পূৰ্ব্বোক্ত ধৰণৰ এনে কোনো আবেদন কৰা নহয়, তেন্তে সংশ্লিষ্ট ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নৰ বৈধতাৰ ওপৰত কৰা গোচৰটো পৰিত্যক্ত বুলি গণ্য কৰা হব আৰু ন্যায়ালয়ে বাদৰ ওপৰত আন বিষয়বোৰৰ সম্বন্ধত অগ্ৰসৰ হব।

(৪) উপধাৰা (১) বা উপধাৰা (২)ত নিৰ্দেশিত কোনো পৰিশোধন কাৰ্য্যবাহত কৰা চূড়ান্ত আদেশ পক্ষগণৰ ওপৰত বাধ্য কৰা হব, আৰু ন্যায়ালয়ে যিমানদূৰ ভৌগোলিক উপদৰ্শনৰ বৈধতাৰ সম্পৰ্কে বিষয়বোৰৰ সম্বন্ধত এনে আদেশৰ লগত একে হোৱা ধৰণে বাদৰ নিষ্পত্তি কৰিব।

(৫) এই ধাৰাৰ অধীনত ভৌগোলিক উপদৰ্শনৰ অতিলঙ্ঘনকৰণৰ বাবে এটা বাদৰ স্থগিতকৰণে ন্যায়ালয়ক কোনো অন্তৰ্বৰ্তী (এটা নিষেধকৰণ মঞ্জুৰী কৰা আদেশ, হিচাপ ৰখাৰ নিৰ্দেশ, এজন প্ৰাপকৰ নিযুক্তিকৰণ বা কোনো সম্পত্তি বাজেয়াপ্তকৰণকো অন্তৰ্ভুক্ত কৰি) স্থগিতকৰণৰ কালছোৱাৰ ভিতৰত অৰ্ন্তৱৰ্তী আদেশ কৰাৰ পৰা ব্যাহত নকৰিব।

কিছুমান গোচৰত পঞ্জী পৰিশোধনে আপীল বোৰ্ডলৈ আবেদন কৰিব পাৰিব।

৫৮। (১) য'ত পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ অতিলঙ্ঘনৰ বাবে কৰা এটা বাদত বদীৰ সৈতে ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নৰ বৈধতাৰ সম্বন্ধত বিবাদীৰ দ্বাৰা প্ৰশ্ন কৰা হয় বা য'ত এনে এটা বাদত বিবাদীৰ সৈতে ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নৰ বৈধতাৰ সম্বন্ধত বাদীৰ দ্বাৰা প্ৰশ্ন কৰা হয়, সংশ্লিষ্ট ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নৰ বৈধতাৰ বিষয়ে মাত্ৰ পঞ্জীয়নৰ পৰিশোধনৰ কাৰণে কৰা এখন আবেদনৰ ওপৰত বাদৰ সিদ্ধান্ত গ্ৰহন কৰা হব আৰু ধাৰা ২৭ত কোনো কথা থকা স্বত্বেও এনে আবেদন আপীল বোৰ্ডলৈহে কৰিব পাৰিব, পঞ্জীয়কলৈ নহয়।

(২) উপধাৰা (১)ৰ উপবন্ধবোৰৰ সাপেক্ষে য'ত ধাৰা ২৭ৰ অধীনত পঞ্জীয়নৰ কাৰণে এখন আবেদন পঞ্জীয়কলৈ কৰা হয়, পঞ্জীয়কে যদি তেওঁ উচিত বুলি ভাৱে আবেদনখন কাৰ্য্যবাহটোৰ যি কোনো অৱস্থাতে আপীল বোৰ্ডলৈ প্ৰেৰণ কৰিব।

উপদৰ্শিত মাল বস্তু বোৰৰ বিক্ৰীৰ ওপৰত বিবক্ষিত পৰোৱানা।

৫৯। য'ত এটা ভৌগোলিক উপদৰ্শন মালবস্তু বিক্ৰী কৰা বা যিকোনো বস্তু বিক্ৰী কৰা চুক্তিৰ বাবে প্ৰয়োগ কৰা হয়, বিক্ৰেতাজনক অধিপত্ৰ দিবলৈ গণ্য কৰা হব যে ভৌগোলিক উপদৰ্শন প্ৰকৃত ভৌগোলিক বুলি গণ্য কৰা হব, আৰু মিছাকৈ প্ৰয়োগ কৰা নহয় যদিহে বিক্ৰেতাৰ দ্বাৰা বা হকে লিখিত ভাৱে স্বাক্ষৰিত অভিব্যক্ত কৰা হয় আৰু চুক্তিৰ ওপৰত মালবস্তুৰ বিক্ৰীৰ সময়ত পৰিদান কৰা হয় আৰু ক্ৰেতাৰ দ্বাৰা গ্ৰহন কৰা হয়।

পঞ্জীয়কৰ ক্ষমতা।

৬০। এই অধিনিয়মৰ অধীনত পঞ্জীয়কৰ আগত সকলো কাৰ্য্যবাহতে–

(ক) পঞ্জীয়কৰ সাক্ষীৰ পৰীক্ষা কৰাৰ কাৰণে সাক্ষ্য গ্ৰহন, শপত বাক্য লোৱা, সাক্ষী উপস্থিতি বলবৎকৰণ, দস্তাবেজৰ উদ্ভাৱন আৰু পেচকৰণৰ বাধ্যকৰণ আৰু কমিচন জাৰি কৰাৰ প্ৰয়োজনাৰ্থে চিভিল ন্যায়ালয়ত সকলো ক্ষমতা থাকিব ;

(খ) পঞ্জীয়কে ধাৰা ৮৭ৰ অধীনত এই মৰ্মে প্ৰণয়ন কৰা কোনো নিয়মাৱলীৰ সাপেক্ষে তেওঁ যুক্তিসঙ্গঁত বুলি বিবেচনা কৰা দৰে খৰচৰ বিষয়ে এনে আদেশ কৰিব পাৰে আৰু এনে কোনো আদেশ চিভিল ন্যায়ালয়ৰ ডিক্ৰী ৰূপে নিষ্পাদনযোগ্য হব ;

(গ) পঞ্জীয়কে বিহিত ৰীতিত কৰা এখন আবেদন পুনৰ পৰীক্ষা কৰিব পাৰে।

পঞ্জীয়কৰ দ্বাৰা ইচ্ছাধীন ক্ষমতাৰ প্ৰয়োগ।

৬১। ধাৰা ৬৪ৰ উপবন্ধ অনুসৰি পঞ্জীয়কে এই অধিনিয়ম বা ইয়াৰ অধীনত প্ৰণয়ন কৰা নিয়মাৱলীৰ দ্বাৰা আবেদনকাৰী ব্যক্তিলৈ প্ৰতিকূল ভাৱে উক্ত ক্ষমতা প্ৰয়োগ কৰাৰ বাবে (যদি সেই ব্যক্তিজনে বিহিত সময়ৰ ভিতৰত এনে দৰে অপেক্ষিত কৰে) ব্যক্তিজনক শুনানীৰ বাবে এটা যুক্তি সঙ্গঁত সুযোগ নিদিয়াকৈ, তেওঁৰ ওপৰত ন্যস্ত কৰা ইচ্ছাধীন বা অন্য ক্ষমতা প্ৰয়োগ কৰিব নোৱাৰিব।

পঞ্জীয়কৰ আগত দিয়া সাক্ষ্য।

৬২। এই অধিনিয়মৰ অধীনত পঞ্জীয়কৰ আগত যিকোনো কাৰ্য্যবাহত শপথ নামাৰ দ্বাৰা সাক্ষ্য দিয়া হবঃ

পৰন্তু পঞ্জীয়কে যদি তেওঁ উচিত বুলি ভাৱে শপথ নামাৰ দ্বাৰা দিয়া এনে সাক্ষ্যৰ পৰিৱৰ্ত্তে বা উপৰিও মৌখিক সাক্ষ্য লব পাৰে।

কাৰ্য্যবাহত কোনো পক্ষৰ মৃত্যু।

৬৩। যদি এজন ব্যক্তি যিজন এই অধিনিয়মৰ অধীনত কাৰ্য্যবাহটোৰ এটা পক্ষ হয় (আপীল বোৰ্ড বা ন্যায়ালয়ৰ আগত নোহোৱা কাৰ্য্যবাহ) আৰু কাৰ্য্যবাহ চলি থকা অৱস্থাতেই মৃত্যু হয়, পঞ্জীয়কজনে অনুৰোধ মৰ্মে আৰু প্ৰমান সাপেক্ষে তেওঁৰ সন্তুষ্টিৰ বাবে মৃত্যু হোৱা ব্যক্তিজনৰ স্বাৰ্থত তেওঁৰ ঠাঁইত তেওঁৰ উত্তৰাধিকাৰীক কাৰ্য্যবাহ প্ৰতিষ্ঠাপিত কৰিব বা যদি পঞ্জীয়কৰ মত হয় যে মৃত্যু হোৱা ব্যক্তিজনৰ স্বাৰ্থত জীৱিত পক্ষগণৰ দ্বাৰা উপযুক্ত ভাৱে প্ৰতিনিধিত্ব কৰা হৈছে, তেওঁৰ উত্তৰাধিকাৰীক কাৰ্য্যবাহত বদলি নকৰাকৈয়ে একেৰাহে চলিবলৈ অনুমতি দিব পাৰে।

সময়ৰ বৃদ্ধি।

৬৪। (১) যদি পঞ্জীয়কে বিহিত কৰা ৰীতিত আৰু বিহিত মাচুল সহ তেওঁলৈ কৰা এখন আবেদনত সন্তুষ্ট হয় যে কোনো কাম কৰাৰ বাবে সময় বৃদ্ধি কৰিবলৈ ইয়াত যথেষ্ট কাৰণ আছে (এই অধিনিয়মত ন্যস্ত কৰা ধৰণে উপবন্ধিত নহয়) এনেদৰে বিহিত কৰা সময় পাৰ হওঁকেই বা নহওঁকেই এনে চৰ্ত্তসমূহৰ সাপেক্ষে যিদৰে তেওঁ আৰোপ কৰিবলৈ উপযুক্ত বুলি ভাৱে, সেইদৰে সময় বৃদ্ধি কৰিব পাৰে আৰু তদনুসৰি পক্ষগণক জাননী দিব।

(২) উপধাৰা (১) ত থকা কোনো কথাই সময় বৃদ্ধি কৰাৰ বাবে আবেদন পত্ৰ নিষ্পত্তি কৰাৰ আগতেই পক্ষগণক শুনানীৰ বাবে পঞ্জীয়কক অপেক্ষিত কৰিবলৈ গণ্য নকৰিব আৰু পঞ্জীয়কৰ আদেশৰ ওপৰত এই ধাৰাৰ অধীনত কোনো আপীল নচলিব।

পৰিত্যাগকৰণ।

৬৫। য'ত, পঞ্জীয়কৰ মতত এই অধিনিয়মৰ অধীনত দাখিল কৰা এখন আবেদনৰ অভিযোজনত আবেদন ব্যতিক্ৰমী হয়, পঞ্জায়কে বিনিৰ্দিষ্ট সময়ৰ ভিতৰত ত্ৰুটীকৰণৰ প্ৰতিকাৰ কৰিবলৈ এখন জাননীৰ দ্বাৰা আবেদকক অপেক্ষা কৰিব পাৰে আৰু যদি এনেদৰে ইচ্ছা কৰে তেওঁক শুনানীৰ বাবে এটা সুযোগ দিয়াৰ

পাচত আবেদনখন পৰিত্যক্ত বুলি ধৰিব যদিহে জাননীত বিনিৰ্দিষ্ট সময়ৰ ভিতৰত ত্ৰুটীৰ প্ৰতিকাৰ কৰা নহয়।

অতিলঙ্ঘন ইত্যাদিৰ বাবে বাদ জিলা ন্যায়ালয়ত ৰুজু কৰা হ'ব।

৬৬। (১) কোনো বাদ-

(ক) পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ অতিলঙ্ঘনৰ বাবে ; বা

(খ) পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ কোনো স্বত্বৰ সম্বন্ধত ; বা

(গ) বিবাদীৰ দ্বাৰা কোনো ভৌগোলিক উপদৰ্শনৰ ব্যৱহাৰৰ পৰা উত্তৰ হোৱা ব্যৱহাৰ পাৰিত কৰাৰ কাৰণে যিটো বাদীৰ লগত সম্বন্ধিত ভৌগোলিক উপদৰ্শনৰ সৈতে তদৰূপ বা ঠগমূলক সদৃশ পঞ্জীভুক্ত বা অপঞ্জীভুক্ত বাদ বিচাৰ কৰিবলৈ অধিকাৰিতা থকা জিলা ন্যায়ালয়ৰ নিম্নস্তৰৰ কোনো ন্যায়ালয়ত ৰুজু কৰা হ'ব।

(২) উপধাৰা (১)ৰ খণ্ড (ক) আৰু খণ্ড (খ)ৰ প্ৰয়োজনাৰ্থে অধিকাৰিতা থকা জিলা ন্যায়ালয়ে চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ত বা তৎকালিন থকা কোনো বিধিত কোনো কথা থকা স্বত্বেও, যাৰ অধিকাৰিতাৰ স্থানীয় পৰিসীমাৰ ভিতৰত থকা জিলা ন্যায়ালয়ে বাদ বা অন্য কাৰ্যবাহ ভুক্ত কৰাৰ সময়ত বাদ বা কাৰ্য্যবাহটো উত্থাপন কৰা ব্যক্তিজন বা য'ত এনে ব্যক্তিসকল এজনতকৈ অধিক হয়, তেওঁলোকৰ ভিতৰত এজন সচাঁকৈয়ে বা স্বইচ্ছাৰে বসবাস কৰে বা ব্যৱসায় কৰে বা লাভ কৰাৰ বাবে ব্যক্তিগতভাৱে কাম কৰে, তেওঁলোকক অন্তৰ্ভুক্ত কৰিব। (১৯০৮ৰ ৫)

**স্পষ্টীকৰণ**- উপধাৰা (২)ৰ প্ৰয়োজনাৰ্থে ব্যক্তিয়ে পঞ্জীভুক্ত গৰাকী আৰু প্ৰাধিকৃত ব্যৱহাৰকাৰী সকলক অন্তৰ্ভুক্ত কৰে।

অতিলঙ্ঘনৰ বাবে বা চলাই দিয়াৰ বাবে বাদত কৰা সাহায্য।

৬৭। (১) প্ৰতিকাৰ যিটো ন্যায়ালয়ে ধাৰা ৬৬ত উল্লিখিত অতিলঙ্ঘনৰ বাবে বা চলাই দিয়াৰ বাবে নিষেধাজ্ঞা অন্তৰ্ভুক্ত কৰি (ন্যায়ালয়ে উচিত বুলি ভবা মতে এনে সময়ৰ সাপেক্ষে যদি কিবা থাকে) আৰু আবেদনকাৰীৰ বিকল্পৰ ওপৰত ক্ষতি সাধনেই হওঁক বা লাভ হিচাপেই হওঁক লগতে নিয়ম ভঙ্গ কৰি লেবেল লগোৱা আৰু মোহাৰি পেলোৱা দাগ বা অনিষ্ট সাধন কৰাৰ কাৰণে উপদৰ্শনসমূহ প্ৰদান কৰাৰ বাবে কোনো আদেশসহ বা বিনা আদেশমতে কোনো বাদ মানি লব পাৰে।

(২) উপধাৰা (১)ৰ অধীনৰ অধ্যাদেশৰ আদেশটোৱে নিম্নলিখিত বিষয়সমূহৰ যিকোনো এটাৰ বাবে একপক্ষীয় অধ্যাদেশ বা কোনো নিষেধাজ্ঞা অন্তৰ্ভুক্ত কৰিব,অৰ্থাৎ -

(ক) দস্তাৱেজসমূহ প্ৰকাশ কৰাৰ বাবে ;

(খ) নিয়ম ভঙ্গ কৰা মালবস্তুবোৰৰ সংৰক্ষণ, দস্তাৱেজ বা অন্য সাক্ষ্য যিবোৰ বাদটোৰ বিষয়বস্তুৰ লগত সম্বন্ধিত হয় ;

(গ) প্ৰতিবাদীত তেওঁৰ পৰিসম্পত্তি বিক্ৰী কৰা বা ব্যৱহাৰ কৰাৰ পৰা এনে ৰীতি বিৰত কৰে যি ৰীতিয়ে প্ৰতিকুল ভাৱে ক্ষতি, ব্যয় বা আন আৰ্থিক প্ৰতিকাৰ আদায় কৰিবলৈ বাদীৰ সমৰ্থতাত প্ৰভাৱ পেলায় যিয়ে চুড়ান্তভাৱে বাদীক অধিনিৰ্ণীত কৰে।

(৩) উপধাৰা (১)ত কোনো কথা থকা স্বত্বেও, ন্যায়ালয়ে (নামমাত্ৰ ক্ষতি পূৰণৰ অন্যথা) লাভৰ কাৰণে কোনো গোচৰতেই প্ৰতিকাৰ মঞ্জুৰ নকৰিব-

(ক) য'ত অতিলঙ্ঘনৰ বাবে কৰা এটা বাদত প্ৰতিবাদীয়ে ন্যায়ালয়ক সন্তুষ্ট কৰিব-

(I) যে তেওঁ বাদত অভিযুক্ত ভৌগোলিক উপদৰ্শনটো ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰা সময়ত তেওঁ অজ্ঞাত আছিল আৰু বিশ্বাস কৰাৰ কোনো যুক্তি সঙ্গত কাৰণ নাছিল যে বাদীৰ ভৌগোলিক উপদৰ্শনটো পঞ্জীত আছিল ;

(II) যেতিয়া তেওঁৰ ভৌগোলিক উপদৰ্শনত স্থিতি আৰু বাদীৰ স্বত্বৰ স্বাভাৱিক গুণ জ্ঞাত হ'ল তেওঁ তৎক্ষণাত ভৌগোলিক উপদৰ্শনটোৰ মালবস্তুবোৰৰ সম্বন্ধত যিবোৰৰ সম্বন্ধত ই পঞ্জীভুক্ত হৈছিল, ব্যৱহাৰ কৰিবলৈ এৰি দিলে ;

(খ) য'ত বাদত হস্তান্তৰ কৰাৰ বাবে ন্যায়ালয়ক সন্তুষ্ট কৰে-

(I) যে বাদত অভিযুক্ত ভৌগোলিক উপদৰ্শনটো ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰা সময়ত তেওঁ অজ্ঞাত আছিল আৰু বিশ্বাস কৰাৰ কোনো যুক্তিসঙ্গঁত কাৰণ নাছিল যে বাদীৰ সম্বন্ধত ভৌগোলিক উপদৰ্শনটো ব্যৱহাৰ হৈছিল ;

(II) যেতিয়া তেওঁৰ ভৌগোলিক উপদৰ্শনৰ স্থিতি আৰু আবেদনকাৰীৰ স্বাভাৱিক গুণজ্ঞাত হ'ল তেওঁ তৎক্ষণাত অভিযুক্ত ভৌগোলিক উপদৰ্শনৰ ব্যৱহাৰ এৰি দিলে।

কিছুমান কাৰ্য্যবাহত প্ৰাধিকৃত ব্যৱহাৰকাৰীয়ে অভিযোগ আনিব।

৬৮। (১) অধ্যায় VI বা ধাৰা ৩১ৰ অধীনৰ প্ৰত্যেক কাৰ্য্যবাহত ভৌগোলিক উপদৰ্শনৰ প্ৰতিজন প্ৰাধিকৃত ব্যৱহাৰকাৰী যাৰ লগত এনে কাৰ্য্যবাহ সম্বন্ধিত, নিজে উক্ত অধ্যায় বা ধাৰাৰ অধীনৰ কোনো কাৰ্য্যবাহৰ সম্পৰ্কত, আবেদনকাৰী নহয়, কাৰ্য্যবাহৰ এটা পক্ষ কৰা হব।

(২)অন্য কোনো বিধিত কোনো কথা থকা স্বত্বেও কাৰ্য্যবাহত এনেভাবে পক্ষ হোৱা এজন প্ৰাধিকৃত ব্যৱহাৰকাৰী কোনো ব্যয়ৰ বাবে দায়ী নহব যদিহে তেওঁ হাজিৰ নহয় আৰু কাৰ্য্যবাহত অংশ গ্ৰহণ নকৰে।

পঞ্জী, ইত্যাদিত প্ৰবিষ্টিসমূহৰ সাক্ষ্য আৰু পঞ্জীয়কৰ দ্বাৰা কৰা কামবোৰ।

৬৯। (১) পঞ্জীৰ কোনো প্ৰবিষ্টিক এটা নকল বা ধাৰা ৭৮ৰ উপধাৰা (১)ত উল্লিখিত কোনো দস্তাবেজ পঞ্জীয়কৰ দ্বাৰা প্ৰমাণিত বুলি তাৎপৰ্য্যিত হোৱা আৰু ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়কৰ মোহৰযুক্ত হোৱাত ধাৰা ৭৮ৰ উপধাৰা (১)ত নিৰ্দেশিত পঞ্জীৰ কোনো প্ৰবিষ্টিৰ বা কোনো দস্তাৱেজৰ প্ৰতিলিপি সকলো ন্যায়ালয়তেই সাক্ষ্য ৰূপে আৰু সকলো কাৰ্য্যবাহতেই অতিৰিক্ত প্ৰমাণ নোহোৱাকৈ বা মূল বিষয় উত্থাপন নকৰাকৈ গ্ৰহণযোগ্য হব।

(২) কোনো প্ৰবিষ্টি, বিষয় বা বস্তুৰ সম্পৰ্কে পঞ্জীয়কৰ হস্তাক্ষৰত তাৎপৰ্য্যিত হোৱা এখন প্ৰমাণ পত্ৰ যে তেওঁ এই অধিনিয়মৰ দ্বাৰা নিয়ম প্ৰণয়ন কৰে বা কৰিবলৈ প্ৰাধিকৃত কৰা হোৱা বুলি বা তাৰ অৰ্ন্তবস্তু বা বিষয় বা বস্তুবোৰ কৰা বা নকৰা সু-স্পষ্ট সাক্ষ্য হব।

পঞ্জী, ইত্যাদিত পেচ কৰিবলৈ পঞ্জীয়ক বা অন্য পদাধিকাৰীসকল বাধ্য নহয়।

৭০। ভৌগোলিক উপদৰ্শনৰ পঞ্জীৰ কোনো পঞ্জীয়ক বা কোনো পদাধিকাৰীয়ে কোনো কাৰ্য্যবাহত যিবোৰত য'ত তেওঁ পক্ষ নহয় পঞ্জী বা তেওঁৰ অভিৰক্ষাত থকা অন্য দস্তাবেজসমূহ পেচ কৰিবলৈ বাধ্য নহব, যাৰ ভুক্তকৰণসমূহক এই অধিনিয়মৰ অধীনত প্ৰেৰণ কৰা পেচকৰণ প্ৰমাণ পত্ৰৰ প্ৰতিলিপিৰ বা তাত অভিলিখিত বিষয়সমূহ প্ৰমাণ কৰিবলৈ সাক্ষীৰূপে হাজিৰ হবলৈ প্ৰমাণ কৰিব পাৰি যদিহে ন্যায়ালয়ৰ দ্বাৰা বিশেষ কাৰণৰ বাবে আদেশ কৰা নহয়।

মূল উপদৰ্শনৰ দেখুৱাব লৈ মালবস্তুবোৰক অপেক্ষা কৰাৰ ক্ষমতা।

৭১। (১) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা অধিসূচনাত বিনিৰ্দিষ্ট কোনো শ্ৰেণীৰ উক্ত মালবস্তুবোৰ দেখুৱাবলৈ যিবোৰ ভাৰতৰ সীমাৰ বাহিৰত তৈয়াৰ কৰা বা উৎপন্ন কৰা হয় আৰু ভাৰততৈলে আমদানি কৰা হয় বা যিবোৰ ভাৰতৰ পৰিসীমাৰ ভিতৰত তৈয়াৰ কৰা বা উৎপন্ন কৰা হয় অধিসূচনাৰ দ্বাৰা নিয়ত কৰা দৰে এনে তাৰিখৰ পৰা, যিটো ইয়াৰ জাৰীকৰণৰ পৰা তিনি মাহৰ কম নোহোৱা অধিসূচনাৰ দ্বাৰা দেশ বা স্থানৰ উপদৰ্শন, সেইবোৰত প্ৰয়োগ কৰা হব, য'ত সেইবোৰ তৈয়াৰ কৰা হয় বা উৎপন্ন কৰাঁ হয় বা তৈয়াৰ কৰোতাৰ নাম বা ঠিকনাত বা ব্যক্তি যাৰ বাবে মালবস্তুবোৰ তৈয়াৰ কৰা হৈছিল।

(২) অধিসূচনাৰ ৰীতি বিনিৰ্দিষ্ট কৰিব যিটোত এনে উপদৰ্শনত প্ৰয়োগ কৰা হব অৰ্থাৎ মালবস্তুবোৰ নিজে বা অন্য কোনো ৰীতিত আৰু সময় বা কাৰণ যিবোৰৰ ওপৰত উপদৰ্শনৰ প্ৰকাশ আৱশ্যকীয় হব অৰ্থাৎ মাত্ৰ আমদানিকৰণৰ ওপৰত বা বিক্ৰীকৰণৰ সময়ত পাইকাৰী বিক্ৰীৰ দ্বাৰা বা খুচুৰা বিক্ৰীৰ বা উভয়ৰ দ্বাৰাই হওঁক।

(৩) এই ধাৰাৰ অধীনত কোনো অধিসূচনাই জাৰি কৰা নহব যদিহে কোনো ব্যক্তিৰ দ্বাৰা বা ব্যৱসায়ী সকলৰ স্বাৰ্থসমূহত গুৰুত্বপূৰ্ণ ভাবে প্ৰতিনিধিত্ব কৰা সংস্থাৰ দ্বাৰা বা তৈয়াৰ কৰোতা সকলৰ দ্বাৰা বা উৎপাদকসকল বা সংশ্লিষ্ট মালবস্তুবোৰৰ ব্যৱহাৰকাৰীসকলৰ দ্বাৰা জাৰীকৰণৰ বাবে আবেদন কৰা নহয় বা যদিহে কেন্দ্ৰীয় চৰকাৰৰ অন্যথা বিশ্বাসযোগ্য নহয় যে লোক স্বাৰ্থৰ বাবে তদন্ত কৰি বা নকৰাকৈ আৱশ্যক হয়, যিদৰে কেন্দ্ৰীয় চৰকাৰে আৱশ্যক বিবেচনা কৰে।

(৪) সাধাৰণ খণ্ড অধিনিয়ম, ১৮৯৭ৰ ধাৰা ২৩ৰ উপবন্ধসমূহ এই ধাৰাৰ অধীনত এখন

১৮৯৭ৰ ১০ অধিসূচনা জাৰী কৰাৰ কাৰণে প্ৰয়োগ কৰা হব, যিদৰে সেইবোৰ নিয়ম বা উপবিধি তৈয়াৰ কৰাৰ বাবে প্ৰয়োগ কৰা হয় যিবোৰৰ তৈয়াৰকৰণ পূৰ্বৰ প্ৰকাশনৰ চৰ্ত্ত সাপেক্ষে হয়।

(৫) এই ধাৰাৰ অধীনৰ এখন জাননী ভাৰতৰ পৰিসীমাৰ বাহিৰত তৈয়াৰ কৰা বা উৎপন্ন কৰা আৰু ভাৰতলৈ আমদানি কৰা মালবস্তুবোৰৰ ওপৰত প্ৰয়োগ কৰা নহব, যদি সেইবোৰ মালবস্তুৰ ক্ষেত্ৰত সীমাশুল্ক আয়ুক্ত জনে আমদানিকৰণৰ সময়ত সন্তুষ্ট হয় যে সেইবোৰ ৰপ্তানী কৰাৰ বাবে জাহাজেৰে ভাৰতলৈ প্ৰেৰণ কৰাৰ পাচত বা ভাৰতৰ ভিতৰেদি প্ৰেৰণ কৰা যিটোৱেই হওঁক বা অন্য প্ৰকাৰেই হওঁক, অভিপ্ৰেত হয়।

**বৈধতাৰ প্ৰমান পত্ৰ।**

৭২। আপীল বোৰ্ডত পঞ্জীৰ পৰিশোধনৰ বাবে যদি কোনো বিধিগত কাৰ্য্যবাহত প্ৰতিবাদকৰণত এটা সিদ্ধান্ত পঞ্জীভুক্ত গৰাকীৰ অনুকূলে দিয়া হয় বা যথাস্থিতি ভৌগোলিক উপদৰ্শনৰ বা প্ৰাধিকৃত ব্যৱহাৰকাৰীয়ে পঞ্জীয়নকৰণৰ বৈধতাৰ বিষয়ে কৰা এটা বিবাদৰ ওপৰত আপীল বোৰ্ডে এই মৰ্মে এখন প্ৰমাণ পত্ৰ অনুমোদন জনাব পাৰে আৰু যদি এনে প্ৰমাণ পত্ৰৰ অনুমোদন জনোৱা হয়, তেতিয়া পিচৰ যি কোনো বিধিগত কাৰ্য্যবাহত য'ত উক্ত বৈধতাৰ ওপৰত প্ৰশ্ন হয়, উক্ত গৰাকী বা প্ৰাধিকৃত ব্যৱহাৰকাৰী যিজনেই হওঁক চুড়ান্ত আদেশ বা হুকুম তেওঁৰ অনুকূলে পোৱাৰ পাচত, ভৌগোলিক উপদৰ্শন বা প্ৰাধিকৃত ব্যৱহাৰকাৰী যিজনেই হওঁক পঞ্জীয়নকৰণৰ বৈধতা বাহাল ৰাখিব, যদিহে উক্ত চুড়ান্ত আদেশ বা হুকুমটো উপযুক্ত কাৰণৰ বাবে অন্য ধৰণে নিৰ্দেশ নকৰে তেওঁ বিধি ব্যৱসায়ী আৰু মক্কেলৰ মাজত হোৱা সকলো ব্যয় আৰু সম্পূৰ্ণ খৰচৰ হক্দাৰ হব।

**বিধিক কাৰ্য্যবাহীৰ ভিত্তিহীন ভাবুকি।**

৭৩। (১) য'ত এজন ব্যক্তিয়ে পৰিপত্ৰ, বাতৰি কাকতত বিজ্ঞপ্তিকৰণৰ দ্বাৰা বা অন্যথা পঞ্জীভুক্ত হোৱা এখন ভৌগোলিক উপদৰ্শনৰ অতিলঙ্ঘনৰ বাবে এজন ব্যক্তিক কাৰ্য্যব্যৱস্থা বা কাৰ্য্যবাহৰ ভয় দেখুৱায় বা প্ৰথমে উল্লিখিত ব্যক্তিৰ দ্বাৰা পঞ্জীভুক্ত হোৱা বুলি অভিযোগ কৰে বা এনে ধৰণৰ অন্য কিছুমান কাৰ্য্যবাহৰ যোগেদি, ক্ষতি সাধন হোৱা ব্যক্তিজনে ভাবুকি দিয়া ব্যক্তিজন ভৌগোলিক উপদৰ্শন পঞ্জীভুক্ত গৰাকী বা প্ৰাধিকৃত ব্যৱহাৰকাৰী হওঁকে বা নহওঁকেই প্ৰথমে উল্লিখিত ব্যক্তিজনৰ বিৰুদ্ধে বাদ ৰুজু কৰিব আৰু সেই মৰ্মে এটা ঘোষণা প্ৰকাশ পাব যে ভাবুকিসমূহ অন্যায়মূলক আৰু ভাবুকিসমূহৰ ধাৰাবাহিকতাৰ বিৰুদ্ধে এটা নিষেধাজ্ঞা আৰু তেওঁ গ্ৰহণ কৰা দৰে এনে ক্ষতিপূৰণসমূহ যদি কিবা থাকে আদায় কৰিব পাৰে, যদিহে প্ৰথমে উল্লিখিত ব্যক্তিজনে ন্যায়ালয়ক সন্তুষ্ট নকৰে যে ভৌগোলিক উপদৰ্শন পঞ্জীভুক্ত হোৱা আৰু কাৰ্য্যবোৰ যিবোৰৰ সম্পৰ্কত কাৰ্য্যবাহৰ ভয় দেখুওৱা হৈছিল বা যদি কৰিছিল ভৌগোলিক উপদৰ্শনৰ অতিলঙ্ঘন কৰা হব।

(২) অন্তিম পূৰ্ব্বৱৰ্ত্তী উপধাৰা প্ৰয়োগ কৰা নহব যদি ভৌগোলিক উপদৰ্শনৰ পঞ্জীভুক্ত গৰাকী বা তাৰ প্ৰাধিকৃত ব্যৱহাৰকাৰীয়ে সম্যক তৎপৰতাৰে আৰম্ভ কৰে আৰু ভৌগোলিক উপদৰ্শন অতিলঙ্ঘনৰ বাবে ভয় দেখুৱা ব্যক্তিজনৰ বিৰুদ্ধে কাৰ্য্যবাহত অভিযোজনা কৰে।

(৩) এই ধাৰাৰ কোনো কথাই এজন বিধি ব্যৱসায়ীক বা পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনসমূহৰ অভিকৰ্ত্তাক, এই ধাৰাৰ অধীনত মক্কেলৰ হকে তেওঁৰ ব্যৱসায়ী ক্ষমতাত তেওঁৰ দ্বাৰা কৰা কোনো কাৰ্য্যৰ সম্পৰ্কত কাৰ্য্যবাহৰ বাবে দায়ী নকৰিব।

(৪) উপধাৰা (১)ৰ অধীনৰ এটা বাদ জিলা ন্যায়ালয়ৰ নিম্ন পৰ্য্যায়ৰ কোনো ন্যায়ালয়তেই ভুক্ত নহব।

সেৱাৰ বাবে সম্বোধন।

৭৪। এখন আবেদন বা বিৰোধকৰ জাননীত বৰ্ণিত সেৱাৰ বাবে এটা সম্বোধন, আবেদনপত্ৰ বা বিৰোধকৰ জাননীখনৰ প্ৰয়োজনাৰ্থে আবেদনকাৰী বা যথাস্থিতি আবেদকৰ এটা সম্বোধন বুলি গণ্য কৰা হব আৰু আবেদন পত্ৰ বা বিৰোধকৰ জাননীখনৰ ক্ষেত্ৰত থকা সকলো দস্তাৱেজ আবেদনকাৰী বা যথাস্থিতি বিৰোধী পক্ষৰ সেৱাৰ বাবে সম্বোধনক ইচ্ছাপত্ৰৰ দ্বাৰা তেওঁলোককৈ প্ৰেৰণ কৰিব পাৰে বা ডাকযোগে তেওঁলোককৈ পঠিয়াব পাৰে।

বাণিজ্যিক প্ৰথা ইত্যাদিক বিবেচাধীনত ৰখা হব।

৭৫। ভৌগোলিক উপদৰ্শনৰ সম্বন্ধত যিকোনো কাৰ্যবাহৰ বাণিজ্যিক সম্বন্ধীয় প্ৰথা আৰু যিকোনো প্ৰাসঙ্গিক ভৌগোলিক উপদৰ্শন অন্য ব্যক্তিসকলৰ দ্বাৰা বিধিগত ব্যৱহাৰৰ সাক্ষ্য ন্যায়াধিকৰণৰ দ্বাৰা স্বীকাৰ কৰা হব।

অভিকৰ্ত্তা।

৭৬। য'ত এই অধিনিয়মৰ দ্বাৰা বা অধীনত শপথ পাঠ প্ৰস্তুত কৰাৰ ব্যতিৰেকে কোনো কাৰ্য্য কোনো ব্যক্তিৰ দ্বাৰা পঞ্জীয়কৰ আগত কৰা বুলি অপেক্ষিত কৰা হয়, কামটো এই মৰ্মে প্ৰস্তুত কৰা নিয়মাৱলীৰ হকে সেই ব্যক্তিজনৰ সলনি সম্যক ভাৱে প্ৰাধিকৃত কৰা এজন ব্যক্তিৰ দ্বাৰা বিহিত ৰীতিত কৰা হব যিজন-

(ক) এজন বিধি ব্যৱসায়ী হয় ; বা

(খ) ভৌগোলিক উপদৰ্শনৰ অভিকৰ্ত্তা হিচাপে বিহিত কৰা ৰীতিত পঞ্জীভুক্ত হোৱা এজন ব্যক্তি ; বা

(গ) একেজন মাত্ৰ ব্যক্তি আৰু প্ৰধানৰ নিয়মীয়া নিয়োজন।

সূচী সমূহ.

৭৭। নিম্নলিখিত সমূহক পঞ্জীয়কৰ নিয়ন্ত্ৰণাধীন আৰু অধীক্ষনাধীনত ৰখা হব -

(ক) পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ এখন সূচী ;

(খ) ভৌগোলিক উপদৰ্শনৰ এখন সূচী, যিটোৰ ক্ষেত্ৰত পঞ্জীয়নকৰণৰ বাবে আবেদনসমূহ স্থগিত ৰখা হয় ;

(গ) পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনসমূহৰ গৰাকীসকলৰ নামৰ এখন সূচী ;

(ঘ) প্ৰাধিকৃত ব্যৱহাৰকাৰীসকলৰ নামৰ এখন সূচী।

দস্তাবেজ সমূহ লোক পাৰদৰ্শনৰ বাবে মুকলি কৰি ৰখা হব।

৭৮। (১) নিম্নলিখিত দস্তাৱেজসমূহ বিহিত কৰা ৰীতিত এনে চৰ্ত্তসমূহৰ সাপেক্ষে পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনসমূহত লোক পৰিদৰ্শনৰ বাবে মুকলি কৰি ৰখা হব, অৰ্থাৎ -

(ক) পঞ্জী আৰু যিকোনো দস্তাৱেজ যাৰ ওপৰত কোনো প্ৰবিষ্টি পঞ্জীত আধাৰিত হয় ;

(খ) ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নত বিৰোধকৰ প্ৰত্যেক জাননী পঞ্জীয়কৰ আগত পৰিশোধনৰ বাবে দিয়া আবেদন পত্ৰ, তাৰ প্ৰতিবিবৃতি বা পঞ্জীয়কৰ আগত কোনো কাৰ্য্যবাহত পক্ষ গণৰ দ্বাৰা দাখিল কৰা কোনো শপথ পত্ৰ বা দস্তাৱেজ ;

(গ) ধাৰা ৭৭ত উল্লিখিত সূচী সমূহ ; আৰু

(ঘ) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা এনে অন্য দস্তাৱেজসমূহ ঃ

পৰন্তু য'ত এনে পঞ্জী কম্পিউটাৰত সমগ্ৰ বা আংশিকভাৱে সংৰক্ষণ কৰা হয়, এই ধাৰাৰ অধীনত কম্পিউটাৰত একেদৰে সংৰক্ষিত কৰা পঞ্জীত প্ৰাসঙ্গিক প্ৰবিষ্টিৰ পৰা কম্পিউটাৰত ছপাকৰণ পৰ্য্যবেক্ষণৰ দ্বাৰা এনে পঞ্জীৰ পৰিদৰ্শন কৰা হব।

(২) যিকোনো ব্যক্তিয়েই পঞ্জীয়কলৈ এখন আবেদন কৰি আৰু বিহিত কৰা দৰে এনে মাচুল আদায় দি পঞ্জীত এনে প্ৰবিষ্টি বা উপধাৰা (১)ত উল্লিখিত যিকোনো দস্তাৱেজৰ প্ৰতিলিপি লাভ কৰিব পাৰে।

পঞ্জীয়কৰ প্ৰতিবেদন সমূহ সংসদত উপস্থাপন কৰা হ'ব।

৭৯। কেন্দ্ৰীয় চৰকাৰে সংসদৰ উভয় সদনত বছৰত এবাৰকৈ এই অধিনিয়মৰ দ্বাৰা বা অধীনত নিষ্পাদন সম্পৰ্কে এখন প্ৰতিবেদন উত্থাপিত কৰিব।

মাচুল আৰু উপকৰ।

৮০। (১) আবেদন আৰু পঞ্জীয়নৰ আৰু অন্য বিষয়সমূহৰ সম্পৰ্কত এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা ধৰণে এনে মাচুল আৰু উপকৰ আদায় দিব লাগিব।

(২) য'ত পঞ্জীয়কৰ দ্বাৰা এটা কাম কৰাৰ ক্ষেত্ৰত মাচুল দেয় হয়, পঞ্জীয়কে মাচুল আদায় নিদিয়ালৈকে সেই কামটো নকৰিব।

(৩) য'ত ভৌগোলিক উপদৰ্শনৰ পঞ্জী বহীত দস্তাৱেজ দাখিল কৰাৰ সম্পৰ্কত মাচুল দেয় হয়, মাচুল আদায় নিদিয়ালৈকে পঞ্জীত দস্তাৱেজ দাখিল কৰা হোৱা নাই বুলি গণ্য কৰা হ'ব।

অধ্যায় VIII ৰ কিছুমান বিষয়ৰ সম্বন্ধত থকা ব্যাবৃত্তি।

৮১। অধ্যায় VIII ত থকা কোনো কথায়েই -

(ক) কোনো বাদ বা অন্য কাৰ্য্যবাহৰ পৰা কোনো ব্যক্তিক ৰেহাই নিদিব, যিটো সেই অধ্যায়ত কোনো কথাৰ বাবে তেওঁৰ বিৰুদ্ধে আনিব পৰা গ'লহেতেন ; বা

(খ) ভাৰতত বাস কৰা এজন গৰাকীৰ কোনো সেৱকৰ ওপৰত, দণ্ড বা কোনো কাৰ্য্যবাহত দায়ী হোৱা বুলি ধৰি লোৱা নহব, যিজনে এনে গৰাকীৰ নিৰ্দেশাৱলী মানি চলি সৰল বিশ্বাসত কাম কৰে আৰু অভিযোজনৰ হকে বা দ্বাৰা কৰা কোনো দাবীৰ সন্দৰ্ভত তেওঁৰ গৰাকীৰ বিষয়ে আৰু তেওঁৰ গৰাকীৰ পৰা পোৱা নিৰ্দেশাৱলীৰ বিষয়ে সম্পূৰ্ণ সন্ধেদ দিব পাৰে।

পঞ্জীয়ন অধিনিয়ম ১৯০৮ ৰ অধীনত পঞ্জীযোগ্য নোহোৱা ভৌগোলিক উপদৰ্শনবোৰৰ বিষয়ে ঘোষণা। ১৯০৮ ৰ ১৬

৮২। পঞ্জীয়ন অধিনিয়ম, ১৯০৮ত কোনো কথা থকা স্বত্বেও পঞ্জীভুক্ত ভৌগোলিক উপদৰ্শনৰ ভিন্ন অন্য ভৌগোলিক উপদৰ্শনত কোনো ব্যক্তিক কোনো হক ঘোষণা কৰি বা ঘোষণা কৰিবলৈ তাৎপৰ্য্যিত হোৱা কোনো দস্তাৱেজক এই অধিনিয়মৰ অধিনত পঞ্জীভুক্ত কৰা নহব।

চৰকাৰ আৱদ্ধ থাকিব।

৮৩। এই অধিনিয়মৰ উপবন্ধসমূহ চৰকাৰৰ ওপৰত আবদ্ধ থাকিব।

সম্মিলিত দেশ সমূহৰ নাগৰিক সকলৰ পঞ্জীয়ন কৰণৰ বাবে আবেদনৰ সম্পৰ্কত থকা বিশেষ উপবন্ধৱলী।

৮৪। (১) কোনো দেশ বা এখন দেশ, যিখন দেশ কেইবাখন দেশৰ এটা সমষ্টিৰ সদস্য বা দেশসমূহৰ সংযোগৰ স্থল বা ভাৰতৰ বাহিৰৰ আন্তঃৰাষ্ট্ৰীয় সংগঠনসমূহৰ সৈতে সন্ধি, সম্মিলন বা বন্দোবস্ত পৰিপূৰ্ণ কৰাৰ উদ্দেশ্যে যিটোৱে নিজ দেশৰ নাগৰিকসকললৈ অনুমোদন জনোৱাৰ দৰে ভাৰতৰ নাগৰিকসকললৈ একে প্ৰৱেশাধিকৰ আগবঢ়ায়, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এনে দেশ বা দেশসমূহৰ সমষ্টি বা দেশসমূহৰ সংযোগৰ স্থল বা আন্তঃৰাষ্ট্ৰীয় সংগঠন বা উমৈহতীয়া দেশ বুলি বা এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে উমৈহতীয়া দেশ বুলি ঘোষণা কৰিব।

(২) এই অধিনিয়ম বা বাণিজ্য চিহ্ন অধিনিয়ম, ১৯৯৯ত থকা কোনো কথাই এখন দেশলৈ বা এখন দেশ যিখন কেইবাখনো দেশৰ সমষ্টিৰ সদস্য বা দেশসমূহৰ সংযোগৰ স্থল বা ক্ষেত্ৰবিশেষে কোনো আন্তঃৰাজ্যিক সংগঠনৰ সম্পৰ্কত ভৌগোলিক উপদৰ্শনৰ একে ধৰণৰ ব্যৱহাৰ আৰু একেৰাহে চলি থকাত বাধা নিদিব, উপধাৰা (১)ৰ অধীনত অধিসূচিত কোনো দেশবাসীৰ দ্বাৰা বা এনে দেশৰ নাগৰিক সকলৰ দ্বাৰা যিসকলে উক্ত দেশৰ ৰাজ্য ক্ষেত্ৰৰ কোনো অংশত এনে মালবস্তু বা যথাস্থিতি উক্ত মালবস্তুবোৰৰ সম্পৰ্কত যিকোনো মালবস্তু অবিৰত ভাৱে উক্ত ভৌগোলিক উপদৰ্শনত ব্যৱহাৰ কৰে -

(ক) ১৯৯৪ চনৰ এপ্ৰিল মাহৰ ১৫ তাৰিখৰ পূৰ্বৰ কমেও দহ বছৰৰ বাবে ; বা

(খ) সৰল বিশ্বাসত খণ্ড (ক)ত নিৰ্দেশিত পূৰ্বৰ তাৰিখত হয়।

পাৰস্পাৰিকতাৰ বিষয়ে উপবন্ধ।

৮৫। য'ত কোনো দেশ বা এখন দেশ, যিদেশৰ এক শ্ৰেণীৰ বা দেশসমূহৰ সংঘৰ বা কোনো আন্তঃচৰকাৰী সংগঠন সদস্য হয়, যাক চৰকাৰী ৰাজপত্ৰত অধিসূচনা দি এই মৰ্মে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা হয়, ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়ন আৰু সুৰক্ষাৰ সম্পৰ্কত একে অধিকাৰ ভাৰতীয় নাগৰিকক নিদিয়ে যিদৰেই নিজ স্বজাতিক দিয়ে, এনে কোনো দেশ বা এখন দেশৰ কোনো স্বজাতি যি সমস্ত দেশ বা দেশবোৰ বা যথাস্থিতি আন্তঃচৰকাৰী সংগঠনৰ সদস্যাই নিম্নলিখিতবোৰৰ বাবে হকদাৰ হব -

(ক) ভৌগোলিক উপদৰ্শনৰ স্বত্বাধিকাৰী ৰূপে পঞ্জীয়নৰ বাবে আবেদন কৰিবলৈ বা পঞ্জীভুক্ত হবলৈ;

(খ) ভৌগোলিক উপদৰ্শনৰ প্ৰাধিকৃত ব্যৱহাৰকাৰী ৰূপে পঞ্জীয়নৰ বাবে আবেদন কৰিবলৈ বা পঞ্জীভুক্ত হবলৈ।

কেন্দ্ৰীয় চৰকাৰৰ জটিলতা দূৰ কৰাৰ ক্ষমতা।

৮৬। (১) যদি এই অধিনিয়মৰ উপবন্ধসমূহ প্ৰভাৱিত হোৱাত কোনো জটিলতা উদ্ভৱ হয় কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা জটিলতা দূৰীকৰণৰ বাবে আৱশ্যক হোৱা দৰে এই অধিনিয়মৰ উপবন্ধসমূহৰ সৈতে অসঙ্গঁত নোহোৱা এনে উপবন্ধ প্ৰমাণ কৰিব ঃ

পৰন্তু এই অধিনিয়মৰ আৰম্ভনিৰ পৰা পাঁচ বছৰ অতিবাহিত হোৱাৰ পাচত এই ধাৰাৰ অধীনত কোনো আদেশ কৰা নহব।

(২) এই ধাৰাৰ অধীনত কৰা প্ৰত্যেক আদেশেই প্ৰণীত কৰাৰ পাচত লগে লগেই উভয় সদনত উত্থাপন কৰা হব।

নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।

৮৭। (১) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা আৰু পূৰ্ব্ব প্ৰকাশনৰ চৰ্ত্ত সাপেক্ষে এই অধিনিয়মৰ উপবন্ধসমূহ সম্পন্ন কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) পূৰ্ব্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলোখিনি বা যিকোনো এটা উপবন্ধিত কৰিব পাৰে, অৰ্থাৎ -

(ক) উপধাৰা (১)ৰ অধীনৰ ভৌগোলিক উপদৰ্শনসমূহৰ পঞ্জীয়নত বিষয়সমূহ ভুক্ত কৰা হব আৰু ধাৰা ৬ উপধাৰা (২)ৰ অধীনত কম্পিউটাৰ ফ্লপিত বা ডিচক্ৰেটচ এনে পঞ্জী ৰক্ষণত পালন কৰিবলগীয়া সুৰক্ষা ;

(খ) উপধাৰা (২)ৰ অধীনত ভাগ ক ত ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নৰ সম্বন্ধত বিৱৰণ নিগমিত কৰাৰ ৰীতি আৰু ধাৰা ৭ৰ উপধাৰা (৩)ৰ অধীনত প্ৰাধিকৃত ব্যৱহাৰকাৰী সকলৰ পঞ্জীয়নকৰণৰ সম্বন্ধত বিৱৰণসমূহ নিগমিত কৰা ৰীতি ;

(গ) মালবস্তুবোৰৰ শ্ৰেণী বিভক্ত কৰণ আৰু ধাৰা ৮ উপধাৰা (১)ৰ অধীনত ভৌগোলিক উপদৰ্শনৰ পঞ্জীয়নৰ প্ৰয়োজনাৰ্থে নিৰ্দ্দিষ্ট ৰাজ্যক্ষেত্ৰ বা স্থানীয় অঞ্চল বা অঞ্চলসমূহ আৰু মালবস্তুবোৰৰ শ্ৰেণী বিভক্ত কৰণৰ বৰ্ণ মালাৰ সূচীপত্ৰ প্ৰকাশৰ ৰীতি ;

(ঘ) প্ৰপত্ৰ য'ত আৰু ৰীতি যিটোত ভৌগোলিক উপদৰ্শন পঞ্জীভুক্ত কৰিব পাৰে আৰু মাচুল যিটো উপধাৰা (১)ৰ অধীনত আবেদন পত্ৰৰ সৈতে একেলগে দিয়া হয় আৰু উপধাৰা (১)ৰ অধীনত উৎপাদনকাৰীসকলৰ বিৱৰণীৰ ওপৰত প্ৰস্তুত কৰা বিবৃতি আৰু ধাৰা ১১ৰ উপধাৰা (২)ৰ খণ্ড (চ)ৰ অধীনত পঞ্জীয়নসহ আদিতেই পঞ্জীভুক্ত বুলি প্ৰস্তাৱ কৰা হয় ;

(ঙ) উপধাৰা (১)ৰ অধীনত ভৌগোলিক উপদৰ্শন ইত্যাদিৰ পঞ্জীয়নৰ বাবে গ্ৰহন কৰা আবেদন পত্ৰৰ বিজ্ঞাপনৰ প্ৰকাশৰ ৰীতি আৰু ধাৰা ১৩ৰ উপধাৰা (২)ৰ অধীনত আবেদন পত্ৰত কৰা সংশোধন বা ভুল শুদ্ধকৰণৰ অধিসূচিত কৰাৰ ৰীতি ;

(চ) ৰীতি যিটোত আৰু মাচুল যিটো এখন আবেদন পত্ৰৰ লগত দিয়া হয় আৰু উপধাৰা (১)ৰ অধীনত দিয়া এখন জাননীৰ ৰীতি আৰু উপধাৰা (২)ৰ অধীনত পঠিওৱা এটা বিপৰীত বিবৃতিৰ ৰীতি আৰু ধাৰা ১৪ৰ উপধাৰা (৪)ৰ অধীনত সাক্ষ্য দাখিল কৰা আৰু ইয়াৰ সময়ৰ ৰীতি ;

(ছ) উপধাৰা (২)ৰ অধীনৰ পঞ্জীয়নৰ প্ৰমাণপত্ৰৰ প্ৰপত্ৰ আৰু ধাৰা ১৬ৰ উপধাৰা (৩)ৰ অধীনত আবেদনকাৰীলৈ জাননী দিয়াৰ ৰীতি ;

(জ) উপধাৰা (১)ৰ অধীনত এজন প্ৰাধিকৃত ব্যৱহাৰকাৰী হিচাপে পঞ্জীয়নৰ বাবে আবেদন কৰাৰ ৰীতি আৰু ধাৰা ১৭ৰ উপধাৰা (২)ৰ অধীনত মাচুল যিটো এনে আবেদন পত্ৰৰ লগত একেলগে দিব পৰা বিবৃতি আৰু দস্তাবেজসমূহ দাখিলকৰণৰ ৰীতি ;

(ঝ) আবেদন কৰাৰ ৰীতি, সময় যিটোৰ ভিতৰত এনে আবেদন কৰা হব আৰু উপধাৰা (৩)ৰ অধীনত এনে আবেদনৰ সৈতে দেয় মাচুল আৰু সময় যিটো পঞ্জীয়কে সূচনা দিব আৰু উপধাৰা (৪)ৰ অধীনত এনে সূচনাৰ ৰীতি আৰু প্ৰপত্ৰ যিটোত আৰু মাচুল যিটো ধাৰা ১৮ৰ উপধাৰা (৫)ৰ অধীনত কৰিবলগা নবীকৰণৰ আবেদনৰ সৈতে গাঠি দিয়া হব ;

(ঞ) উপধাৰা (১) আৰু উপধাৰা (২)ৰ অধীনত আবেদনসমূহ প্ৰস্তুতকৰণৰ ৰীতি আৰু উপধাৰা (৪)ৰ অধীনত জাননী জাৰীকৰণৰ ৰীতি আৰু ধাৰা ২৭ৰ উপধাৰা (৫)ৰ অধীনত সংশোধন কৰা জাননী সমূহ জাৰীকৰণৰ ৰীতি ;

(ট) ধাৰা ২৮ৰ অধীনত শুদ্ধকৰণ ইত্যাদিৰ আবেদনপত্ৰ প্ৰস্তুতকৰণৰ ৰীতি ;

(ঠ) উপধাৰা (১)ৰ অধীনত এখন আবেদন প্ৰস্তুত কৰাৰ ৰীতি, উপধাৰা (১)ৰ অধীনত এখন আবেদনৰ বিজ্ঞাপনত প্ৰকাশ কৰাৰ ৰীতি আৰু ধাৰা ২৯ৰ উপধাৰা (২) আৰু (৩)ৰ অধীনত সময় আৰু জাননীৰ ৰীতি যিটোৰ দ্বাৰা এখন আবেদন পত্ৰৰ বিৰোধীতা কৰিব পাৰি ;

(ড) ধাৰা ৩০ৰ উপধাৰা (২)ৰ অধীনত বিজ্ঞাপনত দিয়াৰ ৰীতি ;

(ঢ) ধাৰা ৩১ৰ উপধাৰা (৩)ৰ অধীনত আপীল কৰাৰ প্ৰক্ৰম পৰীক্ষণৰ ৰীতি আৰু দেয় মাচুল ;

(ণ) ধাৰা ৩৪ৰ উপধাৰা (১)ৰ অধীনত এখন প্ৰপত্ৰ প্ৰস্তুত কৰা হব যিখন প্ৰপত্ৰত সংশোধনৰ বাবে আবেদন কৰা হয় ;

(ত) ধাৰা ৬০ৰ খণ্ড (গ)ৰ অধীনত পুনৰীক্ষণ কৰাৰ বাবে এখন আবেদন কৰাৰ ৰীতি ;

(থ) সময় যিটোৰ ভিতৰত ধাৰা ৬১ৰ অধীনত তেওঁৰ ইচ্ছাধীন ক্ষমতা প্ৰয়োগ কৰাৰ বাবে পঞ্জীয়কলৈ এখন আবেদন কৰিব ;

(দ) ধাৰা ৬৪ৰ উপধাৰা (১)ৰ অধীনত এখন আবেদন কৰা আৰু ইয়াৰ মাচুল আদায় দিয়াৰ ৰীতি;

(ধ) ধাৰা ৭৬ৰ অধীনত কোনো ব্যক্তিক কাম কৰিবলৈ প্ৰাধিকৃত কৰাৰ ৰীতি আৰু ভৌগোলিক উপদৰ্শনসমূহৰ অভিকৰ্ত্তাৰ পঞ্জীয়নকৰণৰ ৰীতি ;

(ন) ধাৰা ৮০ৰ উপধাৰা (১)ৰ অধীনত আবেদন আৰু পঞ্জীয়নবোৰৰ আৰু অন্য বিষয়সমূহৰ বাবে আদায় দিবলগীয়া মাচুল আৰু উপকৰ ;

(প) অন্য কোনো বিষয় যি বিহিত বুলি অপেক্ষিত হব বা বিহিত হব পাৰে।

(৩) এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰস্তুত কৰা প্ৰত্যেক নিয়ম ইয়াক প্ৰস্তুত কৰাৰ পাচত লগে লগেই উভয় সদনৰ আগত উত্থাপন কৰা হব যেতিয়া মুঠ ত্ৰিশ দিন কালৰ বাবে অধিবেশন চলি থাকে, এখন অধিবেশন বা দুই বা অধিক পিচৰ অধিবেশন ভুক্ত হয় আৰু যদি অধিবেশন শেষ হোৱাৰ ঠিক

পূৰ্বে পিচৰ অধিবেশনত বা পূৰ্বোক্ত ভাবে কোৱাৰ দৰে পিচৰ অধিবেশনবোৰত নিয়মাৱলীৰ কিছু পৰিবৰ্ত্তন কৰি উভয় সদনেই সন্মত হয় বা উভয় সদন সন্মত হয় যে নিয়ম প্ৰণয়ন কৰা উচিত নহব, তেনেহলে ইয়াৰ পিচত নিয়মাৱলী এনে পৰিবৰ্ত্তিত ৰূপতহে প্ৰভাৱিত হব বা যথাস্থিতি প্ৰভাৱহীন হব সেইবাবে যিয়েই হওঁক যে এনে পৰিবৰ্ত্তনকৰণ বা বাতিলকৰণে এই নিয়মাৱলীৰ অধীনত পূৰ্বতে কৰা কোনো কামৰ বৈধতাৰ ওপৰত প্ৰভাব নেপেলোৱাকৈ হব।

-------

সচিব

ভাৰত চৰকাৰ

Secretary to the Government of India.

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী (ক্ষুদ্ৰ) ছপাশালত মুদ্ৰিত, দিশপুৰ, গুৱাহাটী-৬